হ'ল । চি, আই, ডিও নাহিল। পৰিবৰ্ত্তনশীল পৃথিৱী খনত কিছু পৰিবৰ্ত্তন আহিল। বৰুৱাৰ জীৱনৰ গতিত কিছু সলনি হ'ল । তেওঁ আৰু অকলশৰীয়া অনুভৱ নকৰা হ'ল। গতিকে ৰণজিতৰ কথাও বৰুৱাৰ মনৰ কোনোবা চুকত অদৃশ্য হৈ গ'ল ।

আজি । আজি আকৌ ইমান বছৰৰ মূৰত তেতিয়াৰ সেই উজনি অসমৰ ঠাইত নামনি অসমত, সেই ডেকা অবিবাহিত পঙ্কিল বৰুৱাৰ ঠাইত আদবয়সীয়া পঙ্কিল বৰুৱাৰ ওচৰত ৰণজিতে ধূমকেতুৰ নিচিনা এই প্ৰায় মাজনিশা আৰ্বিৰ্ভাৱ হৈছে । কেইবাবছৰৰো আগৰ ৰণজিতৰ সেই পলায়নৰ গধূলিটোতকৈ আজিৰ এই অন্ধকাৰাচ্ছন্ন ভীষণ ধুমুহা ৰাতিৰ দেহত কিছু পৰিবৰ্ত্তনেৰে ৰণজিতৰ হঠাত এই আবিভাৱ আৰু বেচি আচৰিত আৰু বিস্ময়কৰ কথা ।

বৰুৱাই যেন ইমান সময়ে চিলমিল টোপনীত সপোনহে দেখিছিল । ৰণজিতৰ উপস্থিতিৰ কথাই তেওঁৰ পুণৰ সম্বিত ঘূৰাই আনে। তেওঁ সাৰ পোৱা মানুহৰ দৰে চক্‌মকাই ৰণজিতৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে ।

নিস্তব্ধতা ভঙ্গ কৰি ৰণজিতেই কথা আৰম্ভ কৰিলে। সি বৰুৱাৰ মৌন মুখৰ ভাষা, চকুৰ দৃষ্টি বুজি পালে। সেই চকুৰ পতাত উদয় হোৱা প্ৰশ্নৰ সমিধান দিবলৈ- কেইতো ৰণজিতে ইমান বছৰৰ মূৰতো বহু ঠাই ঘূৰি পকি, ভীষণ ধুমুহা ৰাতিতো, সকলো বিপদক নেওচি নীৰৱে জ্বলি থকা অন্তৰৰ গোপন বেদনা প্ৰকাশ কৰিবলৈ তাৰ বৰুৱা বাবুৰ কাষ চাপিছে ।

এই গুপ্ত মনৰ সুপ্ত বেদনা আত্ম প্ৰকাশ নকৰিলে সিয়ে শান্তি নাপায় । জীৱনৰ পাপৰ বোজা পাতলাবলৈ হয়তো আত্ম প্ৰকাশতকৈ ডাঙৰ উপায় আৰু একো নাই। এই আত্ম প্ৰকাশে হয়তো তাক যথেষ্ট শান্তি দিব । নহলে সি আৰু কিমান বছৰে, কিমান দিনে মানুহৰ চকুত ধূলি দি নিজকে লুকুৱাই নিজকে ফাঁকি দি জীৱনটো শেষ কৰিব ?

"বাবু, মই আৰু বেচি সময় ইয়াত থাকিব নোৱাৰো যিদৰে এটা সুন্দৰ আবেলি মই আপোনাৰ ঘৰ ত্যাগ কৰিছিলো সেইদৰে আজি ৰাতিটোৰ ভিতৰতে যি কোনো উপায়ে মই এই ঠাই ত্যাগ কৰিবই লাগিব। যি কাৰণত মই আপোনাৰ ঘৰৰ পৰা পলাইছিলো সেই একেটা কাৰণতে আজিও মোৰ এই চহৰৰ নতুন বাবুৰ ঘৰৰ পৰা পলাবলৈ ওলাইছো । বাবু, জীৱনটো এইদৰে মই পলায়েই শেষ কৰি দিব ধৰিছো ।

আপোনাক মই এই ঘৰৰ সন্মুখত কেইবাদিনো দেখিছো । কিন্তু আজিয়ে, এই নিশায়ে এইখন চহৰত মোৰ শেষ । যোৱাৰ আগতে আপোনাৰ ওচৰত বহু দিনে সাঁচি থোৱা অন্তৰৰ গোপন বেদনাৰাশি প্ৰকাশ কৰিবলৈ আহিলো ।"

বৰুৱাই কৌতুহলেৰে ভালদৰে চেয়াৰখনত বহি ললে । চকুত উৎসুক্যপূৰ্ণ দৃষ্টি।

ৰণজিতে আৰম্ভ কৰিলে তাৰ অতীত জীৱনৰ কলঙ্কময় কাহিনী । যি কাহিনীয়ে তাক আজীৱন যন্ত্ৰণা দিছে । তাৰ ভিতৰৰ মানুহটোক যিয়ে গ্ৰাস কৰিছে, যি কাৰণত সি মানুহৰ মাজত মানুহ হিচাবে জীয়াই থাকিব পৰা নাই । সি হৈ পৰিছে শলিতা নিঃশেষ হৈ যোৱা বস্তি এগছিৰ নিচিনা । সেই অতীত জীৱনৰ সঁচা কলঙ্কময় কাহিনী সি তাৰ বাবুৰ আগত প্ৰকাশ কৰিলে——।

....বহুবছৰ, বহুদিন আগেয়ে পূৱ পাকিস্থানত ৰণজিত—ৰণজিত মালী নাছিল । অৰ্থাৎ ৰণজিতৰ আচল নাম আছিল চুলতান হক। সি আছিল ঢাকা চহৰৰ প্ৰকাণ্ড এটা জুট মিলৰ সামান্য এজন কৰ্ম্মচাৰী। প্ৰকাণ্ড মিলটোৰ হেজাৰ হেজাৰ কৰ্ম্মচাৰীৰ ভিতৰত সি এজন নিচেই সাধাৰণ কৰ্ম্মচাৰী হলেও মিলৰ মালিক বিশেষকৈ মেনেজাৰৰ লগত তাৰ সম্বন্ধ আছিল নিবিড়।

মেনেজাৰে তাক বিপদে আপদে সহায় কৰিছিল। নিজৰ বুলি ভাবি মৰম কৰিছিল । একেলগে বহি চাহ খাইছিল । কথাবতৰা পাতিছিল । মুঠতে তাৰ আৰু মেনেজাৰৰ মাজৰ পাৰ্থক্যখিনি সাধাৰণ চকুত ধৰা নপৰিছিল ।

তাৰ পৰিয়াল বুলিবলৈ মাত্ৰ আছিল কমবয়সীয়া, মৰম লগা, মিঠা মিঠা কথাৰে ধুনীয়া চোফিয়াজনী, মানে সি নতুনকৈ সামাজিক প্ৰথাৰে নিজৰ কৰি লোৱা ছোৱালীজনী । সেইখিনি সময়ত চোফিয়াত বাজে তাৰ নিজৰ বুলি কৰ পৰা আন এটি প্ৰাণী পৃথিৱীত নাছিল ।

সি চোফিয়াক অন্তৰ উজাৰি মৰম কৰিছিল । চোফিয়াই তাক ভাল পাইছিল । সি সাধাৰণ মিলৰ কৰ্ম্মচাৰী জনে চোফিয়াক লৈ ডাঙৰ ডাঙৰ সপোন ৰচিছিল।

কল্পনা কৰিছিল এটি সৰু সুখী পৰিয়ালৰ । আশা আছিল মানুহ হিচাবে জীয়াই থকাৰ ।

কিন্তু এদিন সকলো ওলট পালট হৈ গ'ল। যুগৰ উত্থান-পতনৰ লগে লগেই যেন তাৰো জীৱনৰ উত্থানৰ পিছত পতন ঘটিল । পৃথিৱী যেন বহুতো সলনি হ'ল । পুৰণিক এৰি প্ৰকৃতিয়ে নতুনক আদৰি ল'লে । মাত্ৰ সি কক্ষচ্যুত হৈ পৰিল । পপীয়া তৰাৰ দৰে সি স্থিৰ হৈ ৰব নোৱাৰা হ'ল। পৰি ৰ'ল মাত্ৰ সি । আৰু কোনো নাই ।

সি. কক্ষচ্যুত হ'ল। সি পপীয়া তৰাক অনুসৰণ কৰিলে । সি মাত্ৰ পৰি ৰ'ল । কিয় ?

আজি তাৰ এই সকলোবোৰৰ মাজত একমাত্ৰ শত্ৰু হ'ল তাহানিৰ সেই মিলৰ মেনেজাৰ যাৰ লগত তাৰ আৰু চোফিয়াৰ বন্ধুত্ব আছিল নিবিড়। কিন্তু এই কৃত্ৰিম বন্ধুত্বৰ চলেৰেই যে মেনেজাৰে এদিন তাৰ চৰম বিপৰ্য্যয় ঘটাব এই কথা তাৰ কল্পনাৰো অতীত আছিল ।

প্ৰথমতে তাৰ সহজ অন্তৰে মেনেজাৰ চাহাবৰ কৃত্ৰিম সহানুভূতি, দয়া, কৃপা, বন্ধুত্বৰ উৎস ক'ত—তাৰ উমান পোৱা নাছিল । তাৰ সহজ অন্তৰে পৃথিৱীখনক সহজ বুলি স্বীকাৰ কৰিছিল। সি আছিল এজন সহজ মনৰ সাধাৰণ কৰ্ম্মচাৰী । আনহাতে অগাধ সম্পত্তিৰ মালিক ভদ্ৰলোকৰ মুখা পিন্ধা বৰলোক জনৰ যে মন বুলিবলৈ কোনো বস্তুৱেই নাছিল—এই কথাৰ সম্ভেদ সি পোৱা নাছিল ।

সময়ৰ গতিত তাৰ সৰু পৰিয়ালটিৰ লগত মেনেজাৰৰ ঘনিষ্ঠতম সম্বন্ধ গঢ়ি উঠে । কিন্তু দিন যোৱাৰ লগে লগে সেই সম্বন্ধ কেৱল মেনেজাৰ আৰু চোফিয়াৰ মাজতহে বেচি নিবিড় হৈ পৰে । চোফিয়া আৰু মেনেজাৰৰ সাধাৰণ চিনাকীয়ে গৈ বেলেগ আকাৰ ধাৰণ কৰিবৰ উপক্ৰম ঘটে ।

লাহে লাহে ৰণজিতে, মানে তাহানিৰ সেই চুলতানে চোফিয়াৰ লগত মেনেজাৰৰ কৃত্ৰিম বন্ধুত্বক সহজভাৱে স্বীকাৰ কৰিব টান পোৱা হ'ল। তাৰ সহজ সৰল মনটোতো সন্দেহৰ গজালি মেলে । দুই চাৰিটা সৰু সুৰা ঘটনা আৰু দৃশ্যই সন্দেহৰ গজালিত যেন দুই চাৰিজাক বৰষুণহে চতিয়াই দিয়ে। সময়ৰ সোঁতত এদিন সেই গজালিত দুটি সৰু সৰু ডাঠ পাতে দেখা দিলে। লাহে লাহে পাত দুটি ডাঙৰ হব ধৰে । তাৰ পিছত আৰু দুটি পাতে দেখা দিলে । এইদৰে নতুন নতুন সন্দেহৰ সেউজ বৰণৰ পাতেৰে এদিন সৰু গজালিটিৰ চিন চাব নাইকিয়া কৰি গছ পুলিত পৰিণত কৰিলে।

কিন্তু ইয়াতো গছ পুলিটিৰ আশা পূৰণ নহ'ল। নতুন নতুন সাৰ পানী পাই সৰু গছ পুলিটিয়ে এদিন এজোপা প্ৰকাণ্ড বিষাক্ত গছত পৰিণত হ'ল ।

ৰণজিতৰো সেয়ে ঘটিল । সি হয়তো তাৰ মনত উদয় হোৱা সন্দেহৰ গজালি লগে লগে নিৰ্ম্মূল কৰিবলৈ চেষ্টা কৰিব লাগিছিল । কিন্তু সি তাকে নকৰিলে । মানে তাৰ সহজ অন্তৰে চোফিয়া আৰু মেনেজাৰৰ বন্ধুত্ব যে বিষাক্ত আৰু ইয়ে যে এদিন তাৰ চৰম বিপৰ্য্যয় ঘটাব পাৰে এই কথা সি মানি লব নোৱাৰিলে। সেই খিনিতে সি বিৰাট ডাঙৰ ভুল কৰি পেলালে । কিন্তু সি তাতোকৈ ডাঙৰ ভুল কৰিলে এদিন । যি ভুলৰ চৰম পৰিণতি আজিৰ এই তাৰ অৱস্থা।

তাৰ মেনেজাৰ চাহাব আৰু চোফিয়াৰ সম্বন্ধই গৈ সময়ত চৰম সীমা পালে । প্ৰকাণ্ড মিলটোৰ সহজ সৰল মনৰ সাধাৰণ কৰ্ম্মচাৰীজনে তেতিয়াহে বুজি পালে তাৰ মেনেজাৰ চাহাবৰ প্ৰকৃতিটো ।

কিন্তু সি এই ঘটনাৰ প্ৰতিকাৰৰ উপায় নৌবিচাৰোতেই তাৰ ওচৰত এদিন মেনেজাৰ চাহাবে প্ৰকাশ্যে ঘোষণা কৰিলে চোফিয়াক নিজৰ কৰি লোৱাৰ কথা—কেইখনমান নোটৰ বিনিময়ত ।

সি জ্বলি উঠিল । তাৰ সুপ্ত মনটো হঠাতে জাগ্ৰত হৈ পৰিল । যি যেন আদিম যুগৰ এটা প্ৰকাণ্ড হিংস্ৰ পশুত পৰিণত হ'ল । কিন্তু যিদিনা সি চোফিয়াক তাইৰ কাপোৰ কাণিৰে সৈতে তাৰ সৰু ঘৰটোত নেদেখিলে সেইদিনাই সেই ৰাতিয়ে সি মেনেজাৰ চাহাব আৰু তাৰ আটাইতকৈ মৰমৰ চোফিয়াজনীৰ ওপৰত চৰম প্ৰতিশোধ ললে মাত্ৰ দুটা মেনেজাৰৰে বন্দুকৰ গুলিৰে ।

আৰু সেই দিনাই সেই চৰম বিপৰ্য্যয়ৰ ৰাতিয়ে সি আত্ম ৰক্ষাৰ কাৰণে আশ্ৰয় বিচাৰি পলাই আহিল অসমলৈ ।

ৰণজিতে তাৰ নীৰৱে জ্বলি থকা অতীত জীৱনৰ কলঙ্কময় কাহিনী কৈ শেষ কৰিলে । পঙ্কিল বৰুৱাই কোনো শব্দ উচ্চাৰণ নকৰি তেতিয়াও নিৰ্ব্বাক নিষ্পন্দ হৈ বহিয়ে আছিল ।

ৰণজিতে পুনৰ প্ৰণাম কৰি লৰালৰিকৈ তাৰ বৰুৱা বাবুৰ পৰা শেষ বিদায় মাগিলে। ৰাতি হয়তো প্ৰায় দুই বাজিছে । বৰষুণৰ অবিৰাম গতিয়ে চৰম আকাৰ ধাৰণ কৰিছে তেতিয়া । বিজুলী ঢেৰেকণিয়ে পৃথিৱীক এক অজান আশঙ্কাত কঁপাই তুলিছে ।

যিদৰে ধূমকেতুৰ নিচিনা এসময়ৰ ৰণজিত মালীয়ে বিজুলীৰ চিকিমিকি আৰু এজাক ধুমুহা বৰষুণৰ মাজেৰে ঘৰৰ ভিতৰলৈ সোমাই আহিছিল , সেই দৰেই পঙ্কিল বৰুৱাক আচৰিত কৰি, নিৰ্ব্বাক নিঃস্পন্দ নিৰ্জ্জীৱ পদাৰ্থ যেন কৰি অহা বাটেৰেই ধুমুহা বৰষুণ আৰু বিজুলীক সঙ্গী কৰি অন্ধকাৰতে অদৃশ্য হৈ গ'ল ৰণজিত মালী । বৰুৱাই তেতিয়াও ইজিচেয়াৰখনতে বহি সপোন আৰু দিঠকৰ পাৰ্থক্য বিচাৰিছিল ।

# ॥ ভূমিকা ॥

**মিহিৰ ফাংচ**
১ম বাৰ্ষিক কলা

পঞ্চায়তৰ প্ৰেচিডেণ্ট আৰু ছেক্ৰেটাৰী উঠি যোৱাৰ পিছত ধনীৰামে নিঃশব্দে জুপুকা মাৰি বহি থাকিল গছৰ মুঢ়াৰ দৰে। এতিয়া সি কি কৰিব! নিজৰ স্বাৰ্থৰ কাৰণে ভাবিবনে চুবুৰীটোৰ মানুহৰ কাৰণে ভাবিব! পঞ্চায়তৰ প্ৰেচিডেণ্ট আৰু চেক্ৰেটাৰীয়ে কোৱা কথাসাৰ গ্ৰামফোন ৰেকৰ্ডৰ গানৰ দৰে তাৰ কাণৰ কাষত বৈ বৈ বাজিবলৈ ধৰিলে: বুজিচ ধনীৰাম, তইঁতৰ গাৱঁলৈ এইবাৰ আমাৰ পঞ্চায়তৰ পৰা এটা পকীনাদ দিছো; আৰু গাৱঁৰ ৰাইজেও তইঁতৰ চুবুৰীটোতে বহুৱাম বুলি কৈছে। গতিকে তই যদি আমাৰ কথা শুন, তেতিয়াহলে.........

ধনীৰামহঁতৰ গাঁৱে এইবাৰহে পঞ্চায়তৰ পৰা প্ৰথম পকী নাদ এটা পাইছে। গাৱঁৰ ৰাইজে হাতেৰে স্বৰগ চুকি পোৱাৰ সমান আনন্দ পাইছে। অৱশ্যে ধনীৰামহঁতৰ নিচিনা ডাঙৰ গাওঁ এখনত সামান্য এটা পকী নাদে খোৱা পানীৰ সমস্যা সমাধান কৰিব নোৱাৰে। কিন্তু আনহাতে গাৱঁৰ ৰাইজেও ধন তুলি পকী নাদ এটা বহুৱা সামৰ্থ্যও নাই। বহুতৰে পথাৰত আগৰদৰে শস্য নহয়। ডিগাৰু আৰু কলং নদীৰ জল প্ৰবাহে বছৰে বছৰে পথাৰৰ বাওঁ ধান, আহু, ধান, আদি নষ্ট কৰে। দুই এঘৰৰ বাহিৰে বহুতৰে ভঁড়ালৰ তলি উদং। দুবেলা দুমুঠি পেট ভৰাই খাবলৈ বহুতৰে নোজোৰে। গতিকে তেনেস্থলত পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক অনেক কাকূতি মিনতি কৰি হলেও পকী নাদ এটা যে পালে সেয়ে পৰম সৌভাগ্য। ধনীৰামৰ কাৰণে ভাগ্য দেৱী সুপ্ৰসন্না হৈছে।

লাহে লাহে এন্ধাৰ হৈ আহিল। কেতিয়া সাজ লাগিল ধনীৰামে ক'ব নোৱাৰিলে। ঘৈণীয়েকৰ মাতত তন্ময়তা ভাঙিল। 'ইমানকৈ কি ভাবিছে?' ঘৈণীয়েকে সুধিলে। :একো ভবা নাই কুৱাটোৰ কথাকে চিন্তা কৰিছো।

: কুৱাটোৰ কাৰণে ইমানে ভাবিবলগীয়া হ'লনে? "পেৰেচিডেন" আৰু "চেকেৎটাৰি" দেউতাহঁতে দিম বুলি কৈছে যেতিয়া দিবই। আমি মাত্ৰ তেখেতসকলৰ দিহামতে কাম কৰিলেই হ'ল। তেখেতসকলে কৈছে....

: ৰ'বা ৰ'বা। তুমি কলেই হ'ল নেকি? এইবাৰ হে পঞ্চায়তে আমাৰ গাৱঁলৈ প্ৰথম পকী কুৱা এটা দিছে, তাকো কত কাকূতি-মিনতি কৰাতহে। গতিকে আমাৰ এঘৰৰ সুবিধালৈ চালে নহব নহয়। চুবুৰীৰ মানুহৰ কাৰণেও ভাবিব লাগে।

: গাৱঁৰ ৰাইজে আমাৰ চুবুৰীতে বহুৱাম বুলি কৈছে দেখোন।

গাৱঁৰ ৰাইজে চুবুৰীতে বহুৱাম বুলিতো কৈছেই। গতিকে চাৰি আলিৰ বেঙেনাহঁতৰ সৰিয়হ ডৰাৰ কাষতে বহুৱালে আমাৰ চুবুৰীটোত মাজত পৰিব।

: থৈ দিয়ক আপোনাৰ কথা। সিবাৰ বাঁৰী তিৰোতা বিলাকক সূতা ভগাই দিওঁতে বংমলা জাগিলাহঁতক নাম মাত্ৰ দি সিখিনি বাকী থাকিল, সেই খিনি 'পেৰেচি-ডেন" আৰু "চেকেৎটাৰী"ৰ অঙহী-বঙহীৰ মাজত ভগাই দিলে। তেতিয়া দুখীয়া বাঁৰী তিৰোতা বিলাকৰ কথা কোনে চিন্তা কৰিছিল? সুবিধা পালে কোনেও এৰি নিদিয়ে।

ধনীৰামৰ মনত পৰিল আজি এবছৰৰ আগতে পঞ্চায়তে দুখীয়া বিধবা তিৰোতাবিলাকক সূতা ভগোৱাই দিয়া কথাটো। অঞ্চলৰ বিধবা তিৰোতাবিলাকক নাম মাত্র সূতা দি বাকীখিনি সূতা পঞ্চায়তৰ প্ৰেচিডেণ্ট আৰু চেক্রেটাৰীৰ অঙহী বঙহীৰ মাজত গোপনে বিলাই দিলে। আৰু দুই এজনী বিধবা তিৰোতাই পিচত কেনেকৈ গুপ্ত ভাবে আকৌ এভাগ পালে সেই কথাও ধনীৰামে জানে।

ঘৈণীয়েকে ভাত বাঢ়ি দিলে। ধনীৰামে ভাত খিনি খাই জেপৰ পৰা বিড়ি এডাল উলিয়াই জুই শলাত বিড়ি ডাল লগাই আনি নিকব্দিগ্ন মনে বিচনাত বাগৰি বিড়ি ডাল হুপিলে। ধোৱাঁখিনি অকাই পকাই শূন্যলৈ উৰি যাবলৈ ধৰিলে। ধনীৰামৰ পৰিয়াল সামান্য। ঘৈণীয়েক ভালুকী আৰু সি। ল'ৰা-ছোৱালী তিনিটা প্রথমটো ল'ৰা। এচাৰি ডাল লৈ গৰুৰ পিচে পিচে যাব পৰা হৈছে। তাৰ তলৰটোও ল'ৰা নাঙঠ হৈয়ে আছে। আৰু তাৰ তলৰটো ছোৱালী, মাকৰ কোলাতে আছে। দুই এমাহৰ পিছত বাট বুলিব পৰা হ'ব। ল'ৰা দুটাই সাজ লাগোতেই ভাত খাই নিঃপালি দিলে। আগতে ধনীৰামহঁতো ডাঙৰ চুবুৰীটোতে আছিল। বহুত বছৰৰ আগৰ কথা।

তেতিয়া গাৱঁৰ ভিতৰত ডাঙৰ পৰিয়াল বুলি কলে ধনীৰামহঁতকে বুজায়। ধনীৰামৰ দেউতাকৰ ভাই ককাই আছিল চাৰিজন, আৰু আতাইতকৈ ধনীৰামৰ দেউতা-কেহে সৰু। মাটি-বাৰী আছিল যথেষ্ট। তেতিয়া ধনী-ৰামহঁতৰ মহৰ হালে তিনি হাল বাইছিল। গৰু আছিল ৭০।৮০ টা। হাঁহ পাৰ আদিটো লিখিব নোৱাৰা অৱস্থা। গুটি ধানৰ ভড়াল আছিল তিনিটা। বিয়া সবাহত চেনি মিঠৈ আদি কিনিবলগা নহৈছিল। কুঁহিয়াৰ খেতিও দুপুৰা মাটিত কৰিছিল। মিঠাতেল কিনিব লগা নহৈছিল। সৰিয়হ খেতিয়ে দুপৰা মাটি কৰিছিল। কেৰাচিন তেল, নিমখ আদিৰ কাৰণে ভড়া-লৰ ধান বিক্রি কৰিব লগা নহৈছিল। বাৰীৰ তামোল পান বিক্রি কৰিয়েই বছৰটো চলিব পাৰিছিল। গাৱঁৰ বহুতো মানুহে ধনীৰামহঁতৰ ঘৰতে কাম কৰি নিজৰ পৰিয়াল চলাইছিল। বহুতো বিধবা তিৰোতাই ধনী-ৰামহঁতৰ ঘৰতে কাম কৰি অন্য সংস্থানৰ বাট উলিয়াই-ছিল। এইদৰে চলি গৈছিল ধনীৰামহঁতৰ পৰিয়াল মাহৰ পিছত মাহ বছৰৰ পিছত বছৰ ধৰি।

কিন্তু।

কিন্তু ১৯৫০ চনৰ ১৫ আগষ্টৰ দিনা গধূলি সময়ত হোৱা ভূমিকম্পই ধনীৰামহঁতৰ পৰিয়াললৈ ভাবিব নোৱাৰাকৈ পৰিবৰ্ত্তন আনিলে। দুৱেনী নদীৰ পাৰত থকা ধনীৰামহঁতৰ খেতিৰ মাটি আধাতকৈ বেছি অংশ খহালে আৰু বছৰে বছৰে কলং আৰু ডিগাৰু নদীৰ জল প্রবাহে ধনীৰামহঁতৰ খেতিৰ মাটি খহাই নি নি ধনীৰামহঁতৰ পথাৰখন বিল কৰিলে। আৰু বছৰে বছৰে কলং আৰু ডিগাৰু নদীত পানী বাঢ়িবলৈ ধৰিলে। এইদৰে পৰিবৰ্ত্তন হ'ল ধনীৰামহঁতৰ পৰিয়াল আৰু পৰিবৰ্ত্তন হ'ল ধনীৰাম।

ধনীৰামক পৰিবৰ্ত্তন কৰিলে ভনীয়েক কুমলীয়ে।

তেতিয়া ধনীৰাম চফল ডেকা।

এদিন।

এদিনাখন বাতিপুৱা শুই উঠি ধনীৰামে শুনিলে কুলীৰ সুৱদী কণ্ঠস্বৰ। সি আঙুলিৰ মূৰত হিচাব কৰিলে ফাকুৱা পাৰ হৈ যোৱা দুসপ্তাহ হ'ল। ঘৰৰ ওচৰত থকা আহত জুপিলৈ চালে নৱ পল্লৱেৰে জাতি-কাৰ হ'বলৈ ধৰিছে। ফাগুণ মাহ! কেইবাদিনো গ'ল। মনতে ভাবিলে।

আৰু সিদিনাখন!

আৰু সিদিনাখন ধনীৰামে বাওঁ তলিৰ পৰা হাল এৰি আহি ব'মানী বিলত অকলে জাকৈ মাৰি থকা কপাহিক লগ পালে। কপাহি, কিমান মাছ পালি অ' ধনীৰামে সুধিলে।

: পিঠা গুৰিৰ লগত কোনোমতে এসাজ হ'ব।

: কি কি মাছ উঠিছে?

: পুঠি, গ'ৰৈ, মাজে মাজে দুই এটি কাৱৈ। হাল এৰি আহিলিয়েই?

: ও। তোৰ কাৰণে বেলি হোৱা নাই নহয়? নাযাৱ?

: যাওঁ বল। ব' ছোন। ভিজা কাপোৰখন সলাই লওঁ। কপাহি ধনীৰামহঁতৰ গাৱঁৰ মনাইৰ জীয়েক। গাটো অলপ শকত, গাৰ বৰণ মাটিয়া। এলান্ধুৰ দৰে কিচ্ কিচীয়া চুলিৰ কলডিলীয়া খোপা। মুখমণ্ডল অলপ গোল, পাহৰিব নোৱাৰাকৈয়ে ধুনীয়া। ডিঙিটো অলপ দীঘল। খোজত পদুম ফুল ফুলে।

ফাগুণৰ আকাশত সূৰ্য্যৰ পদক্ষেপ চঞ্চল হৈ উঠে।

চঞ্চল হৈ উঠে ধনীৰাম আৰু কপাহিৰ মন--সিহঁতৰ খোজবোৰ ।

বহাগৰ দিনবোৰ ধুনীয়া হৈ আহে। তাতোকৈ ধুনীয়া হয় কপাহিজনী, ধনীৰামৰ প্ৰীতিভৰা এবুকু মৰম--তপত ওঁঠৰ পৰশত ।

মাজ ৰাতি সাৰে থাকে আকাশৰ তৰাবোৰ। আৰু সাৰে থাকে ।

আৰু সাৰে থাকে ধনীৰাম আৰু কপাহিয়ো।

এদিন ধনীৰামে নোমাল প্ৰশস্ত বুকুত কপাহিক সাৱটি লৈ সুধিলে : কপাহি।

: ও ।

: আমি আৰু কিমান দিন এইদৰে থাকিম ?

: মই কেনেকৈ জানো ।

: তই আৰু কেনেকৈ নাজান ?

: মই জানো মতা মানুহ ?

: সচাঁকৈয়ে মোৰ লগত যাবি জানো ?

: নিলে কিয় নাযাম ?

: সচাঁয়ে কৈছ নে মিছায়ে কৈছ ?

: মিছা আৰু কিয় কম ?—সঁচাই কৈছো ।

: এইবাৰ বহাগ বিহুৰ পিছত হ'ব ?

: মইনো কি, নিজৰ যদি হয়,—মোৰো হ'ব ।

কিন্তু শৰতৰ নিৰ্ম্মল আকাশৰ তলত শেৱালি সৰে ।

আৰু সৰে কপাহি জনী ।

ধনীৰাম আৰু কপাহিয়ে ভাবিব নোৱাৰাকৈয়ে ঘটনাটো ঘটি গ'ল । কপাহিৰ ককায়েক জয়ধনে ধনীৰামৰ মাজু জেঠায়েকৰ জীয়েক কুমলীক পলুৱাই নিয়ে । ধনীৰাম আৰু কপাহিৰ মাজৰ বিয়াৰ বেৰখন প্ৰকট হৈ উঠিল । কাৰ্ব্বি (মিকিৰ)ৰ নিয়মতে ধনীৰাম আৰু কপাহিৰ সম্বন্ধ মোমায়েক ভাগিনীয়েক ।

আৰু এদিন ।

আৰু এদিন ফাগুনৰ আকাশৰ তলতে ধনীৰামে বিয়া কৰিলে ঘিলাইমাৰা গাৱৰ ভদীয়াৰ জীয়েক ভালুকীক । ইয়াৰ বহু দিনৰ আগতে ধনীৰামহঁত জেঠায়েকহঁতৰ পৰা বেলেগ হৈ আহিছে । ধনীৰামহঁতৰ ফালে ল'ৰা কেৱল ধনীৰামহে —বাকী দুজনী ছোৱালী, ধনীৰামতকৈ সৰু । ভনীয়েক দুজনীক জেঠায়েকহঁতৰ তাৰ পৰা ওলাই অহাৰ পিছতহে বিয়া দি উলিয়াই দিছে । আৰু ধনীৰামৰ মাক দেউতাক মৰা আজি চাৰি পাচ বছৰ হ'ল । জেঠায়েকহতো মৰিল । সিহঁতো কেবাঘৰ হ'ল । ধনীৰামৰ খেতিৰ মাটি অলপ আছে। তাৰে সি আনক এমুঠি দিও বছৰটো চলিব পাৰে ।

এনেতে ধনীৰামৰ মনত পৰিল ঘিলাইমাৰা গাৱৰ বাইজলৈ । ঘিলাইমাৰা বাইজে স্কুলৰ কাৰণে পঞ্চায়তৰ পৰা কেনেকৈ টিন পাত নিলে ধনীৰামে জানে। আগতে ঘিলাই মাৰা গাৱ ৰ প্ৰাইমাৰী স্কুলখন ধনীৰামহঁতৰ গাৱঁৰ প্ৰাইমাৰী স্কুল খনতকৈ বেয়া আছিল । আদিত্য মাষ্টৰে ৩০।৪০ জন ল'ৰা ছোৱালীক লৈ টোপনিয়াই টোপনিয়াই পঢ়াইছিল । বৰষুণৰ দিনত স্কুলৰ ভিতৰত 'ক্লাচ' কৰিব পৰা নহৈছিল । বেৰা বিলাকৰ পৰা মাটি এৰি গৰু ছাগলী সোমাব পৰাকৈ ভাঙি গৈছিল । ছালত কোমোৰা জিকা-ভোল আদিয়ে প্ৰভুত্ব চলাইছিল । এতিয়া স্কুলৰ ওপৰত টিনপাত উঠিল । বেৰবিলাক হাফ-ৱাল কৰিলে । স্কুলত ল'ৰা ছোৱালীৰ সংখ্যাও বহুত বাঢ়িল । তিনিজন মাষ্টৰ নহলে এতিয়া স্কুল চলাব নোৱাৰি । ঘিলাইমাৰা গাৱঁৰ বাইজে টিন পাত আৰু চিমেণ্ট নিছিল পঞ্চায়তৰ চেক্ৰেটাৰী আৰু প্ৰেচিডেণ্টক.......... ।

আৰু ধনীৰামৰ মনত পৰিল এটা বিচাৰৰ কথা লাওপাৰা গাৱৰ টেক্ বাহাদুৰ নেপালীয়ে ন-কৈ বিয়া কৰি অনা ঘৈণীয়েক থুলী জনীক বিয়াৰ সাত মাহৰ পিছতে মাকোতোলা গাৱঁৰ দুটা ল'ৰা ছোৱালীৰ বাপেকী আৰু সদ্যহতে তিৰোতা জীৱিত লেম্বু নেপালীয়ে পলুৱাই নি পৰেকৰ পিছত দুয়োকে চাকনি বুৰী খালে তাৰ পৰা ধৰি আনিলে। পঞ্চায়তে বিচাৰ কৰি লেম্বু নেপালীক নাম মাত্ৰ দণ্ড বিহি টেক্ বাহাদুৰ নেপালীকে থুলীক পুনৰ সমজাই দিলে । কিন্তু ধনীৰামে জানে লেম্বু নেপালীয়ে কেনেকৈ পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক নিজৰফলীয়া কৰি ললে । লেম্বু নেপালীটোৱে পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক.... এনেতে মহ এটাই ধনীৰামক কামুৰিলে । সি আঠুৱা এখনৰ কথা বাৰুকৈয়ে অনুভৱ কৰিলে ।

ধনীৰামে বাগৰ এটা সলালে । ঘৈনীয়েকে কেতিয়া আখল ঘৰ অঁটাই কাষত শুলে সি কবকে নোৱাৰিলে। আজি এসপ্তাহৰ আগতে ছিঙিলি মহাজনৰ তাত মদ খাওঁতে পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীয়ে কলেজত পঢ়া ল'ৰা কেইজনক গালি পৰা ধনীৰামৰ

মনত পৰিল : "......তহঁতে আমাৰ কথা বাটে-ঘাটে কৈ ফুৰিবহে পাৰ নহয় ?....পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটৰীয়ে .....ৰাতি অমুকৰ ঘৰতে কটাই দিলে..... পঞ্চায়তৰ মানুহবিলাক .....নহলে ভিজা মেকুৰী......বৰ বৰ কথা....বিল বিক্ৰী কৰা টকাবোৰ ....আমি নাথাকিব লাগিলে কি হ'লহেতেন জান?.... আজি দিনতে আন্ধাৰ.... আৰু তহঁতে .......পঞ্চায়তক বেয়া পাৱ ?........"

এইবাৰ ধনীৰামৰ মনত পৰিল নিজৰ কথালৈ। যোৱা বছৰ ৰাস্তাৰ কাষৰ ধনীৰামৰ মাটিডৰাত ধান নদন বদন হৈছিল। পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীয়ে প্ৰথমে আহি চাই গ'ল। ইয়াৰ পিছত লংপেণ্ট আৰু ধুতি পিন্ধা বহুতো মানুহ মটৰেৰে আহি চাই গ'ল। ধনীৰামক দুই এষাৰ কথাও সুধিলে। অ' আ, ক, খ, নজনা ধনীৰামে সিহঁতনো কোন নাজানে— তাৰ মানত সিহঁত ডাঙৰ মানুহ। ধনীৰামহঁতৰ দিনত গাৱঁত স্কুল নাছিল। গাৱঁৰ পৰা তিনি মাইল দূৰৈত মিটনী গাৱঁতহে এখন প্ৰাইমাৰী স্কুল আছিল। তেতিয়া গাৱঁৰ মানুহে স্কুলত পঢ়া ল'ৰা ছোৱালীক ভাল নাপাইছিল। ৰাসায়নিক সাৰ সি আচলতে দেখা নাই; কিন্তু পঞ্চায়তৰ প্ৰেছিডেণ্ট, চেক্ৰেটাৰী, গ্ৰামসেৱক আদিয়ে শিকাই দিয়া মতে সি "ডাঙৰ মানুহ" কেইজনৰ আগত ৰাসায়নিক সাৰ প্ৰয়োগ কৰা বুলি কৈছিল। কেইদিন মানৰ পিছত ধনীৰামে শুনিবলৈ পাইছিল তাৰ ধানখিনিয়ে 'এবিয়াৰ ভিতৰত প্ৰথম আৰু জিলাৰ ভিতৰত দ্বিতীয়। ধনীৰামে এইবোৰ একো বুজি পোৱা নাছিল। এদিন তাক চৰকাৰে আদৰ্শ কৃষক বুলি পুৰস্কৃত কৰিলে আৰু ব্লকৰ পৰা টকা লৈ ঘূৰি অহাৰ দিনাখন শিলকুৱাৰীত অৰ্জ্জুন নেপালী-হঁতৰ চুবুৰী পাওঁতে পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক ১০ টকা দিবলগীয়াত পৰিল।

ধনীৰামৰ আৰু মনত পৰিল পাকিস্থানৰ লগত গণ্ডগোল লগা সময়ত বস্তুৰ জুই-চাই দামৰ কথা। পঞ্চায়তে মিটিং কৰি সময়ত বস্তু উচিত মূল্যত বেচিবলৈ দোকানীবিলাকক সতৰ্ক কৰি দিছিল। কিন্তু যেতিয়া মহীধৰ দোকানীয়ে পঞ্চায়তৰ প্ৰেছিডেণ্টৰ দোকানৰ সমানে নিমখৰ কিলো ৭৫ পইচা, মিঠাতেলৰ পোৱাত ১·৭৫ পইচাকৈ বিক্ৰি কৰিলে, তেতিয়া মিটিং কৰি পঞ্চায়তে মহীধৰ দোকানীক জৰিমনা কৰিলে, আনহাতে পঞ্চায়তৰ প্ৰেছিডেণ্টৰ দোকানত বস্তু চৰা দামত বিক্ৰি কৰিয়ে থাকিল; আৰু ৰাইজেও নিকিনাকৈ নাথাকিল, মুখ খুলি কোনেও একো হলে নকলে।

ধনীৰামৰ কেতিয়া টোপনি আহিল নিজে ক'ব নোৱাৰিলে। সি সপোনত দেখিলে, ঘিলাইমাৰা গাৱঁৰ ৰাইজৰ দৰে ধনীৰামহঁতৰ গাৱঁৰ প্ৰাইমাৰী স্কুলখনৰ ওপৰোতো টিন পাত দিছে। স্কুলৰ ভেটীটো পকী কৰিছে। বেৰবিলাক হাফৱাল আৰু চূণৰ কাম কৰা। ল'ৰা ছোৱালীবিলাক দলে দলে স্কুললৈ গৈছে। ৰবীন মাষ্টৰৰ লগত আৰু দুজন শিক্ষকে স্কুল কৰিছে। সি শিক্ষক দুজনক ভালকৈ চালে—চিনিব নোৱাৰিলে। তাৰ ল'ৰা-ছোৱালী কেটাও স্কুললৈ গৈছে। গাৱঁৰ পৰা বহুতো ল'ৰা-ছোৱালী নাহৰগুৰি মধ্য ইংৰাজী স্কুললৈ গৈছে।.... তাৰ ডাঙৰ ল'ৰাটোও হাতত এবোজা কিতাপ লৈ নাহৰগুড়ি 'মাইনৰ' স্কুল লৈ গৈছে। ৰাইজৰ মিটিং বহিছে। পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীও আছে। বহুতো মানুহ আহিছে.... । সিও পুহতৰ ওচৰত বহিছেগৈ। খদ্দৰৰ ধুতি আৰু পাঞ্জাবী চোলা পিন্ধা এজন মানুহে বক্তৃতা দিছে : "ৰাইজসকল! আমাৰ ইয়াত এখন হাইস্কুলৰ আৱশ্যক হৈ পৰিছে।....আমি বৰ দুখীয়া মানুহ। ল'ৰা-ছোৱালীক জিলাত পঢ়াব নোৱাৰো।.... গতিকে আমি এইবছৰৰ পৰা আমাৰ ইয়াতো হাইস্কুল এখন 'ষ্টাৰ্ট' কৰিবলৈ...." মানুহজনে আৰু বহুতো কিবা কিবি কৈছে।....গাৱঁত নৈশ স্কুল হৈছে। সিও স্কুললৈ গৈছে। তাৰ ডাঙৰ ল'ৰাটোৱে নৈশ স্কুলখনত শিক্ষকতা কৰিছে। সি বিস্মিত হ'ল.. । লাজতে সি গুচি আহিছে।....ৰাবিষাৰ দিনত একাঠু বোকা হোৱা গাৱঁৰ ৰাস্তাবিলাক শিল দি, ৰাস্তাৰ কাষত থকা ডাঙৰ ডাঙৰ গছ, বাহ কল গছ আদি কাটি ৰাস্তাবিলাক ভাল কৰিছে।....বৰষুণ পৰিছে। ৰাস্তাবিলাকত বোকা হোৱা নাই।......ৰাস্তাৰ কাষৰ মাটি কেইডৰাত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি লাইন টানি টানি ধান ৰুইছে।....ধানবোৰ ভাল হৈছে....এইবাৰ তাৰ ধানখিনি সিমান ভাল হোৱা নাই.... । বহুতে তাক হাহিছে। ....তাৰ চোহদৰ ভিতৰত ৰাস্তাৰ কাষত পঞ্চায়তে পকীনাদ এটা বহুৱাইছে। ...চুবুৰীটোৰ জিয়াৰী-বোৱাৰীবিলাকে হাঁহি খিকিন্দালি কৰি পানী

নিবলৈ আহিছে। ....সিও বাৰীত শাক পাচলিৰ খেতি কৰিছে। ....নাদৰ পৰা পানী তুলি আনি সিও পানী দিছে। ঘৈণীয়েকে পানীৰ কলহটো লৈ তাক কৈছে: মোৰ কথা নুশুনা হলে পানীৰ কাৰণে আমাৰ কিমান কষ্ট হ'লহেতেন...... এতিয়া নিজে দেখোন শাকত পানী দিয়াত পানীৰ কাৰণে সুখকণ পাইছে। এনেতে ধনীৰামে সাৰ পালে। সি বিচনাখন চালে, ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীকেইটাই কেতিয়াবাই বিচনা এৰিছে। ল'ৰা-ছোৱালীকেইটা জুইশালৰ গুৰিত বহিছে। গৰালত থকা হাঁহ পাৰ কুকুৰাকেইটা ওলাবলৈ বাট বিচাৰিছে। সিও বিচনাৰ পৰা উঠি পানী এঘটি লৈ মুখখন ধুলে আৰু জুই শালৰ গুড়িত বহি থিবাং কৰিলে যে বিধবা তিৰোতা বিলাকে পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক মদ খুৱাই পিছত সূতা এভাগ নিয়া, ঘিলাইমাৰা গাৱঁৰ বাইজে মদ খুৱাই খুৱাই টিন পাত আৰু চিমেণ্ট নিয়া, লেম্বু নেপালীয়ে মদ খুৱাই পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক নিজৰ ফলীয়া কৰা, গাৱঁ লৈ কুৱা অনাৰ দৰে সিও পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীক হাত কৰি নিজৰ চৌহদৰ ভিতৰত বাস্তাৰ ফালে পকী নাদটো বহুৱাব। সি বাহিৰলৈ ওলাই আহিল। ঘৈণীয়েকে পানীৰ কলহটো লৈ চোতাললৈ সোমাই আহিলত ধনীৰামে ক'লে: শুনিছা নে? মিনাৰ মাক (মিনা, ধনীৰামৰ ডাঙৰ ল'ৰাটোৰ নাম)

: কি হ'ল ?

: আজি গধূলীকৈ পঞ্চায়তৰ "পেৰেচিডেন্" আৰু "চেকেৎটাৰী"ক মাতি আনো বুলি ভাবিছো।

: ঘৰত দেখোন একোৱেই নাই।

: টকা দহটা উলিয়াই দিবা চোন।

: ক'ৰ পৰা আনিবা ?

: অৰ্জুণ নেপালীৰ তালৈ গলে মদ পাম। খাৰ কাঠাৰৰ তাত ডাঙৰ ডাঙৰ কুকুৰা চৰাই কেইটামা দেখি আহিছো আৰু 'বেচিম' বুলিও কৈছে। লৰা-লৰিকৈ ভাত দিয়াচোন।

ধনীৰামৰ কাণত পঞ্চায়তৰ প্ৰেছিডেণ্ট আৰু চেক্ৰেটাৰীয়ে কোৱা কথাষাৰ যেন আকৌ প্ৰতিধ্বনিত হ'ল।"...... গতিকে তই যদি আমাৰ কথা শুন, তেতিয়া হলে তোৰ চৌহদৰ ভিতৰতে ৰাস্তাৰ ফালে পকী নাদটো বহাই দিম। তই মাত্ৰ আমাক ভালদৰে এদিন মনত থকাকৈ খুৱালেই হ'ল। আমি সকলো থিৰ কৰি দিম নহয়।........

---

# প্ৰত্যুত্তৰ

জিতৰাম কলিতা
২য় বাৰ্ষিক কলা

নপঢ়ো বুলিও মৃণালে এবাৰ এবাৰ কৰি তিনিবাৰ চিঠিখন পঢ়িলে। তাৰ পিচত পুনৰ খামটোৰ ভিতৰত সুমাই থৈ এবাৰ খোলা খিৰিকি খনেৰে দূৰলৈ চাই পঠালে। অলপ দূৰেত থকা এজোপা কলগছৰ এখন কলপাতত এজনী শালিকা পৰি আছিল। মৃণালৰ চকু তাতে পৰিল। ডুবিব ধৰা বেলিটোৰ বাবে পশ্চিমাকাশখন বাঙলী হৈ পৰিছিল। অকলশৰীয়া শালিকাজনীয়ে হৰ্ষতে নে বিষাদতে কেলু-কেলাৰ ধৰিছে সি ঠিক কৰি ধৰিব পৰা নাই। বোধকৰো তাই প্ৰিয়জনৰ বিৰহতে বিলাপ কৰিব ধৰিছে। মুক্ত আকাশত অকলশৰীয়া চৰাইজনী দেখি তাৰ ভালো লাগিল আৰু লগে লগে অজ্ঞাতে তাৰ অন্তৰখনো সহানুভূতিৰে আদ্ৰ হ'ল। এই চৰাইজনীৰ লগত সি নিজৰাক তুলনা কৰিব খুজিলে। বেচেৰী নিজৰাই আজি এই চৰাইজনীৰ দৰে বিশাল চিলং চহৰখনত অকলশৰীয়া। সহায় সাৰথিহীনা। এয়া গ্ৰীষ্ম কালৰ এটা আবেলিৰ কথা। অফিচৰ পৰা সোনকালে ওছি আহি আৰামী চকিখনত বহি মৃণালে নিজৰাৰ কথাকে ভাবিছিল। তাৰ মনৰ দুৱাৰত অজস্ৰ পুৰণি উজ্জ্বল আৰু অনুজ্জ্বল স্মৃতিয়ে হেচাঠেলা কৰিছিল। লগে লগে, ব্যৰ্থতা আৰু অৱহেলাৰে পৰিপূৰ্ণ তাৰ জীৱনটোলৈ বহুতো আশা নিৰাশাৰ ভাৱ আহিছিল। এদিন সি ভাবিছিল তাৰ ভাল পোৱা, বুদ্ধি আৰু পুৰুষত্ব নিজৰাৰ ওচৰত অচল টকা। এইবাৰে সি নিজেই নিজৰ ভাগ্যৰ ওপৰত ধিক্কাৰ দিছিল। সি ধৰি লৈছিল নিজৰাৰ উপেক্ষা আৰু অৱজ্ঞাই তাৰ প্ৰেমকে অৱমাননা কৰা নাছিল, ই তাৰ ব্যক্তিত্বৰ ওপৰতো কুঠাৰাঘাত কৰিছিল। সেই অঞ্চলৰ লৰাৰ পৰা বুঢ়ালৈকে সকলোৱে জানিছিল মৃণাল আৰু নিজৰাৰ মাজত থকা প্ৰেমৰ কথা। আনকি এদিন যে দুয়োৰো মাজত বিয়া হব তাকো বহুতে ধৰি লৈছিল। তথাপিতো নিজৰাই তাক ইমান অৱজ্ঞা কৰিলে কিয় ? সিতো তাইৰ পৰা অইন একো বিচৰা নাছিল। বিচাৰিছিল মাত্ৰ তাইৰ অকৃত্ৰিম ভালপোৱা আৰু মৰম। কিন্তু ইয়াৰ পৰিবৰ্ত্তে তাই তাক ইমান ঠগালে কিয় ? ই এটা অপ্ৰিয় হলেও ডাঙৰ প্ৰশ্ন। ইয়াৰ উত্তৰ এদিন সি বিচাৰিছিল।

গ্ৰীষ্ম কালৰ এটা বৰ্ষামুখৰ ৰাতিপুৱা বাহিৰত কিন্ কিনীয়া বৰষুণ। কিন্তু প্ৰকৃতিৰ দুৰ্য্যোগে তাৰ অদম্য মনক সেও মনাব নোৱাৰিলে। সি বৰষুণতে যাত্ৰা কৰিছিল নবহাটীলৈ। কাৰণ নিজৰা তেতিয়া নবহাটী পাঠশালা স্কুলৰ সহাকাৰী শিক্ষয়িত্ৰী। বাটত যাওঁতে তাৰ মনত পৰিছিল হেৰোৱা দিনবোৰৰ কথা। তাৰ মনত পৰিছিল নিজৰাৰ মৰমবোৰৰ কথা। এৰা সি নিজৰাহঁতৰ ঘৰত পুৰা এবছৰ আছিল। বি -এছ্-ছি ২য় খণ্ড পৰীক্ষা দি উঠি ঘৰতে বহি থকাতকৈ নিজৰা-হঁতৰ গাৱঁতে স্থাপিত হোৱা "ভেঞ্চাৰ" হাইস্কুলতে

সোমাইছিল সহকাৰী শিক্ষক হিচাবে। নিজৰাইঁতৰ লগত তাৰ চিনাকী আগৰে পৰা। কাৰণ নিজৰাইঁত তাৰ ককায়েকৰ সম্পৰ্কীয় আছিল। এই সূত্ৰতে সি নিজৰাইঁতৰ ঘৰতে থাকিবলৈ ললে। নিজৰাৰ কোনো ককায়েক বা ভায়েক নাছিল। আনহাতে তাৰো কোনো ভনীয়েক নাছিল। মূলতে দুয়োৰে মাজত সহজতে মৰম আৰু ভালপোৱা ভাৱ ওপজিছিল। এই ভাল পোৱাত নাছিল কামনা আৰু বাসনাৰ প্ৰলেপ। ই পৰিষ্কাৰ পানীৰ দৰে পবিত্ৰ আছিল। নিজৰাৰ মৰম আৰু ভালপোৱাৰ কথা স্মৰণ কৰোতে তাৰ শৰীৰ ৰোমাঞ্চিত হৈ পৰিছিল। তাইৰ সুমধুৰ সংলাপবোৰ তাৰ কাণৰ কাষত কলিং বেলৰ দৰে বাজিছিল। এইদৰে ৰোমাণ্টিক ভাৱত হৈ থাকোতে কেতিয়া সি নৱহাটী পাঠশালা স্কুলৰ দুৱাৰ মুখ পালে গমকে নেপালে। হঠাতে জিৰণিৰ ঘণ্টা পৰাত তাৰ সংজ্ঞা ঘূৰি আহিল। লাহে লাহে সি স্কুলখনৰ ফালে আগবাঢ়িল। এই স্কুলখন তাৰ বহুতদিনৰ চিনাকী। নিজৰাই কামত যোগ দিয়াৰ পৰাই সেইবাৰৰ সৈতে সি তিনিবাৰ তালৈ আহিছে। কিন্তু সেইদিনা সকলো অচিনাকী অচিনাকী যেন লাগিল।

দূৰৰ পৰাই সি দেখিলে নিজৰা আৰু প্ৰধান শিক্ষক কিবা আলোচনাত মগ্ন হৈ আছে। সংজ্ঞা থকা ৰোগীক অস্ত্ৰোপচাৰ কক্ষলৈ নিলে যেনেকুৱা অৱস্থা হয় তাৰো অৱস্থা তেনেকুৱাই হ'ল। তাইক কি সুধিব, সি কিয় আহিছে সকলো পাহৰি গ'ল। প্ৰধান শিক্ষকে তাক বহিবলৈ দি খবৰ বাতৰি সুধিলে। সি সকলো উত্তৰ দিলে। সিহঁতৰ ভালপোৱাৰ কথা প্ৰধান শিক্ষকে আগৰে পৰাই জানিছিল। চকিদাৰক চাহৰ কথা কবলৈ বুলি তেখেতে উঠি গ'ল। মনতে ভাবি অহা কথাষাৰ কোৱাৰ এয়ে সোণালী সুযোগ বুলি ভাবি কোনো প্ৰসংগ নোহোৱাকৈ সি কবলৈ আৰম্ভ কৰিলে, "নিজৰা মোক তোমাৰ জীৱনৰ লগত একেলগে সাঙুৰিবলৈ যদি ইমানেই টান পোৱা তেনেহলত কথা দিছিলা কিয়? মোৰ জীৱন ব্যৰ্থ কৰিবলৈ তোমাৰ অধিকাৰফেৰা ক'ত? মই জানোঁ অলপতে তোমাৰ বিয়াৰ ঠিক হৈ গৈছে। তুমি যদি প্ৰতিবাদ কৰিব নোৱাৰো বুলি ভাবিছিলা আগতে নকলা কিয়? কিয়?"

তাৰ অপ্ৰাসংগিক প্ৰশ্ন বুজিব নোৱাৰি কিছু সময় তাই নীৰৱ হৈ তাৰ ফালে চাই আছিল। তাৰ পিচত তাই কৈছিল "মনে খন্দা পুখুৰীত কেইজনে পানী খাবলৈ পায়? মোৰ মা দেউতাই আপোনাক অপচণ্ড কৰিলে। তেনেস্থলত তেখেতসকলৰ একমাত্ৰ ছোৱালী হৈ মই কৰোঁ কি? তেখেতসকল অশিক্ষিত যেতিয়া কিবা হৈ গলে সান্ত্বনা লাভিব কিদৰে? মোৰোতো তেখেতসকলৰ ওপৰত কৰ্ত্তব্য আছে।"

সি শুছি আহিছিল। আহিবৰ সময়ত মাত্ৰ কৈছিল, "নিজৰা, তোমালোকৰ তাত থাকি তোমাকে বিয়া কৰাম বুলি প্ৰস্তাৱ দিয়াৰ বাবে তোমাৰ মা দেউতাৰাই মোক অপচণ্ড কৰিলে। এতিয়া তুমি তোমাৰ বাটেদি চলা। অলপ দিনৰ পিচতে দুয়ো দুখন চহৰৰ মাজত হেৰাই যাম। তোমাৰ মোৰ স্মৃতিবোৰ ক্ৰমে সময়ৰ বুকুত লয় পাব। হয়তো কিছুদিনৰ পাচতে তুমি মোক পাহৰি যাবা। কিন্তু তোমাক পাহৰাতো মোৰ বাবে বৰ কষ্টকৰ হব।"

গুৱাহাটীলৈ ঘূৰি আহি সি পুনৰ পঢ়াত মনোযোগ দিলে। পঢ়িবলৈ সি নতুন অনুপ্ৰেৰণা পালে। নিজৰাৰ উপেক্ষা তাৰ বাবে আশীৰ্ব্বাদ স্বৰূপ হ'ল। নীৰৱে চাৰিটা বছৰ সি কটাই দিলে। ইয়াৰ মাজতে বহুতো পৰিবৰ্ত্তন হ'ল। পদাৰ্থ বিজ্ঞানত সি এম-এছ-ছি ১ম বিভাগত পাচ কৰিলে। তাৰ পিচত এবছৰ ৰিচাৰ্চ কৰিলে। কিন্তু এনেতে জীৱন বীমাত সহায়কাৰী প্ৰশাসক বিষয়াৰ চাকৰিটো পোৱাত ৰিচাৰ্চ বাদ দিলে। এই সুদীৰ্ঘ সময় ছোৱাৰ ভিতৰত সি ঘৰলৈ খুব কমেই গৈছিল। কাৰণ ঘৰলৈ গলে গ্ৰাম্য নীৰৱতাই নিজৰাৰ কথা বাৰে বাৰে মনত পেলাইছিল। সিহঁতৰ ভাল পোৱাৰ পটভূমি আছিল গ্ৰাম্য প্ৰকৃতি। ভতিজাকৰ চিঠিৰ পৰা সি জানিছিল যে নিজৰাই স্বামীৰ সৈতে চিলঙত বসতি কৰিবলৈ লৈছে। এই খবৰ পাই তাৰ অন্তৰখন সেমেকি উঠিছিল —তাৰ কল্পনাবোৰ আনৰ মাজেদি মূৰ্ত্ত হোৱা দেখি।

০ ০ ০

চিঠিখন পুনৰ খামটোৰ পৰা উলিয়াই ৪ৰ্থবাৰৰ বাবে সি পঢ়িবলৈ আৰম্ভ কৰিলে। ইয়াৰে কিছুমান আখৰত চকুপানী পৰাৰ বাবে চিনিব নোৱাৰা হৈছে। হয়তো চিঠিখন লিখিবৰ সময়ত নিজৰাৰ চকুৰ পৰা অশ্ৰুৰ বন্যা নামিছিল।

পূজ্যবৰেষু, মোৰ ধ্বংসমুখী জীৱনৰ কথা আপোনালৈ লিখিম লিখিম বুলি ভাবিও ভয়তে লিখিব পৰা নাই। কাৰণ মোৰ ভালকৈ মনত আছে এদিন মা দেউতাৰ মনৰ কামনা অনুযায়ী আপোনাক অৱজ্ঞা কৰিছিলো।

আপোনাৰ প্ৰেমক "মাষ্টাৰী প্ৰেম" বুলি উপলুঙা কৰিছিলো। অথচ মোৰ অন্তৰে সদায় আপোনাকে বিচাৰিছিল। আজি মই নিজৰ শোচনীয় পৰিণতি দেখি নিজেই ভীত হৈছো। মোৰ এই পৰিণতিৰ পৰা কেনেকৈ পৰিত্ৰাণ পাম তাৰ পৰামৰ্শ লবলৈ ইয়াত মোৰ কোনো নাই। আপোনাকো কথা নাই। কোন কাহানিবাই আপোনাক আঁতৰাই পঠিয়াইছো।

আপুনি যিদিনা মোক নবহাটী পাঠশালাত লগ ধৰে আৰু মোৰ প্ৰত্যুত্তৰ শুনি গুছি আহে, তেতিয়া আপোনাক ফিৰাই আনিবলৈ আৰু মোৰ অন্তৰত খুপ খাই থকা মৰমৰ সঁহাৰি জনাবলৈ মোৰ মন উখাউল হৈ উঠিছিল। একেচাতে স্কুলৰ পৰা ওলাই আহিছিলো। আপুনি বহুত আতৰি গৈছিল। তেতিয়া দেউতাৰ বাধাৰ আদেশ মনত পৰাত কষ্টেৰে নিজৰ আবেগক সম্বৰণ কৰিলো। ইয়াতকৈ কিবা বেচি কৰিব পাৰিম বুলি তেতিয়া ভবাই নাছিলো। ইয়াৰ কেইমাহমানৰ পিচতে গোলাপ বৰুৱাৰ লগত মোৰ বিয়া হৈ যায়। বিয়াৰ দিনাখন মা দেউতাৰ উজ্জ্বল মুখ দুখন দেখি মই মোৰ অন্তৰৰ শোকবোৰ দমন কৰিবলৈ শক্তি পাইছিলো।

ফুল শয্যাৰ দিনা ৰকৱাই যেতিয়া মোৰ ওঁঠত ওঁঠ লগাই নীৰৱে আছিল তেতিয়া আপোনালৈ মনত পৰিছিল কিন্তু আপোনাক পাহৰিবলৈ মই বৰ যত্ন কৰিছিলো আৰু কিছু সফলো হৈছিলো। স্বামীয়ে মোক বৰ মৰম কৰিছিল মোৰ বাবে তেখেতে সকলো কৰিবলৈ সাজু আছিল। বিয়া হৈ যোৱাৰ এমাহৰ পিচতে আমি চিলঙলৈ যাওঁ। মোৰ স্বামীয়ে চেক্ৰেটেৰীয়েট অফিচত কেৰাণী কাম কৰে। গতিকে চিলঙতে স্থায়ী হিচাবে থাকিবলৈ ললো। চিলংখন মোৰ বৰ ভাল লাগিল। গাৱঁলীয়া ছোৱালী মই। গাৱঁতে জন্মিছো আৰু ডাঙৰ দীঘল হৈছো। এনেকুৱা অৱস্থাতে চিলঙত থকাৰ কথা মই সপোনতো ভবা নাছিলো। এইবাবে চিলঙত চিৰদিনৰ বাবে থাকিব পাৰিম বুলি ভাবি মই স্বামীৰ ওচৰত কৃতজ্ঞ আছিলো। মা দেউতাৰ কথা পাহৰি গলো। পাহৰি গলো আপোনাক। আমাৰ দাম্পত্য জীৱনৰ দুটা বছৰ কেনেকৈ পাৰ হৈ গ'ল উম-ঘামকে নেপালো।

৩য় বছৰৰ আৰম্ভণিতে দেউতাৰ মৃত্যু হোৱাৰ খবৰ পালো। সেইদিনা মই হিয়া ঢাকুৰি কান্দিছিলো। দেউতাৰ মৰমবোৰৰ স্মৃতিয়ে মোক পাগলী কৰিছিল। সুখ দুখৰ দেউতাই মোৰ একমাত্ৰ লগৰী আছিল। তেখেতৰ কাৰণে এদিন আপোনাকো উপেক্ষা কৰিছিলো। ইয়েৰ এণ্ডিঙৰ (year ending) বাবে স্বামীয়ে ছুটী নেপালে। গতিকে আমাৰ গাৱঁলৈ যোৱা ন'হল। মাক ইয়ালৈ আনিবৰ বাবে টেলিগ্ৰাম কৰিছিলো। উত্তৰ আহিল স্বামীৰ ভেঁটি এৰিবলৈ মা ৰাজী নহয়। গিৰেইনহওঁক গোসাইদেউইঁতৰ আশ্ৰয়ত থকা বুলি শুনি আশ্বস্ত হলো।

৩য় বছৰতে মোৰ জীৱনলৈ বহুতো পৰিবৰ্ত্তন নামি আহিল। মোৰ স্বামীয়ে লাহে লাহে পলমকৈ ঘৰলৈ আহিবলৈ ধৰিলে। প্ৰথম অৱস্থাত ইয়াৰ বাবে মই একো সন্দেহ কৰা নাছিলো। ধৰি লৈছিলো অফিচৰ কাম বাঢ়িছে। কিন্তু ই পিছতগৈ অভ্যাগত পৰিণত হ'ল। তেতিয়াহে মই চিন্তিত হলো। তেতিয়ালৈকে আমাৰ কোনো লৰা-ছোৱালী উপজা নাছিল। এইবাবেই তেখেতৰ মনত দুখ বুলি ধৰি লৈছিলো। তেখেতৰ ওঁঠত লাগি থকা ধুনীয়া হাহিটো ক্ৰমাৎ নাইকিয়া হৈ আহিল। মই আবিষ্কাৰ কৰি পেলালো তেখেতে মোক অৱজ্ঞা কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ বাবে মই মৰি যোৱাৰ সমান দুখ পাইছিলো। মই মোৰ অদৃষ্টক দুষিছিলো। ধৰি লৈছিলো ইয়াকেহে মোৰ কপালত লিখা আছিল। এদিন এজন খাচিয়াই মোৰ আগতে তেখেতক অপমান কৰিলে—তেখেতৰ ভনীয়েকৰ লগত বেয়াকৈ হলিগলি কৰাৰ বাবে। তেতিয়া মই লাজত আৰু ক্ষোভত একো নাই হৈ পৰিছিলো। তেখেতৰ ভৰিত ধৰি কৈছিলো "মই আপোনাৰ বিবাহিতা স্ত্ৰী।" কিন্তু মোৰ কথা তেখেতে নুশুনিলে। তাৰ প্ৰত্যুত্তৰত আপোনাক লগাই মোক অপমান কৰিলে। মই ভাল হোৱাহেতেন নিজৰ প্ৰিয়জনক কেতিয়াও অৱজ্ঞা নকৰিলোহেঁতেন। তেখেতেৰ জীৱনটো ধ্বংস কৰিবলৈ মই ষড়যন্ত্ৰ কৰিছিলো। তেতিয়া মোৰ কবলৈ একো নাছিল। ধুনীয়া চিলংখন

মোৰ বাবে বন্দীশাল যেন লাগিল। দুখত দিন-ৰাতি নেযায় নুপৰায়। গোটেই পৃথিবীখনৰ ওপৰতে মোৰ ঘৃণা উপজিল। মানুহক মানুহ হিচাবে চাবলৈ পাহৰি গলোঁ। ইতিমধ্যে আপুনি জীৱন বীমাৰ সহায়কাৰী প্ৰশাসক বিষয়া হোৱা খবৰটো মামাৰ চিঠিৰ যোগেদি পালোঁ। বুজিছে, সেইদিনা ইমানবোৰ দুখৰ মাজতো মই হাঁহিছিলোঁ। আপোনাৰ প্ৰতি থকা অৱজ্ঞা সেইদিনা পুনৰ শ্ৰদ্ধালৈ ৰূপান্তৰিত হৈছিল—পানী অতিপাত চেঁচা হলে বৰফলৈ পৰিবৰ্ত্তিত হোৱাৰ দৰে।

স্বামীলৈ মোৰ ভয় লাগিছিল। সেই মানুহজনেই এদিন হোমৰ গুৰিত মন্ত্ৰ উচ্চাৰণ কৰিছিল আজীৱন মোৰ স্বামী হব বুলি। তেখেতৰ মৰমবোৰ মোৰ সঘনে মনত পৰিছিল। কিমান যে ভাল পাইছিল মোক। মই নোখোৱাকৈ একো বস্তু মুখত দিয়া নাছিল। মোক দেখা নেপালে ঘৰত এক মুহূৰ্ত্ত থাকিব নোৱাৰিছিল। ৰাৰ মাহত তেৰটা অভাৱ থাকিলেও মোৰ মনোৰঞ্জনৰ বাবে সকলো কৰিছিল। নিজে ফটা চোলা পিন্ধি মোৰ বাবে ব্লাউজ আদি কিনি দিছিল। কিন্তু লাহে লাহে সেই ভালপোৱা গ'ল কলৈ? তাক মাত্ৰ ভগ-ৱানেহে জানে। সদায় উদাস মনে কিবাবোৰ ভাবি থাকে। মোৰ অৱস্থিতি পাহৰি যায়। তেখেতৰ ওচৰ চাপি কথা সুধিবৰ সাহস মই বিচাৰি নেপাওঁ। তেখেতৰ বৰ্ষাকালৰ গম্ভীৰ মেঘসদৃশ মুখখন দেখাতকৈ যদি কেইকোবমান চমতাৰ কোৰ খালোহেঁতেন তথাপিতো কিছু সান্তনা পালোঁহেতেন। কিন্তু মোৰ শাস্তি ইমা-নতে শেষ নহল।

সেইদিনা সন্ধিয়া ৮ বজালৈকে স্বামী উভতি অহা নাছিল। মোৰ মনটো খুক-খুকাই আছিল। দুৱাৰ মুখত বোন্দা পৰ দি ৰখি আমনি লাগিছিল। অজান আশঙ্কাত মোৰ শৰীৰৰ নোমবোৰ থিয় হৈছিল। এদিন ঘৰতে আহি অপমান কৰি যোৱা খাচীয়াজনলৈ মনত পৰিল। মোৰ চকুয়ে সৰিয়হৰ ফুল দেখিলে। যদি কিবা হয়। কাৰোবাৰ ভৰিৰ খোজৰ শব্দ শুনি তৎক্ষণাৎ মূৰ তুলি হে চালো। স্বামী নহয় তেখেতৰ বন্ধু জৰ্জ্জ লিংডো আহিছে। তেখেতে স্বামীৰ যিটো খবৰ দিলে তাক গ্ৰহণ কৰিবলৈ মোৰ মানসিক প্ৰস্তুতি মুঠেই নাছিল। কিমান সময় অচেতন হৈ পৰি আছিলোঁ তাক নেজানোঁ। কিন্তু সাৰ পাই দেখো লিংডো মোৰ ওচৰতে থিয় হৈ আছে। পুনৰ তেখেতক স্বামীৰ কথা সুধিলোঁ। তেখেতে কলে যে বাটত মটৰ দুৰ্ঘটনা ঘটি বৰকৈ আহত হৈছে। তেখেতে দুজনমান মানুহৰ সহায়ত স্বামীক হস্পিটালত থৈ আহিছে। তেতিয়া মোৰ অৱস্থা পানীত হাঁহ নচৰা যেন হৈছিল।

তেতিয়াই লিংডোৰ সৈতে হস্পিটাললৈ গলোঁ। কিন্তু স্বামীৰ জ্ঞান ফিৰি অহা নাছিল বাবে তেখেতৰ ওচৰলৈ যাব নিদিলে। মোৰ অৱস্থা তেতিয়া চন্দ্ৰলৈ যোৱা মানুহজনক ৰকেটে বিশ্বাসঘাতকতা কৰি এৰি আহাৰ দিছিনা লাগিছিল। তাতে ৰাতিটো কটাম বুলি ভাবিলোঁ কিন্তু লিংডোৱে জোৰ কৰি আনি ঘৰত থৈ গ'লহি।

পিচদিনা হস্পিটাললৈ যাব নেলাগিল। মোৰ স্বামীৰ জ্ঞান চিৰদিনৰ বাবে ফিৰি নাহিল। জীৱনটো কি বুজিব বাকী নেথাকিল। স্বামীৰ শটো তেখেতৰ বন্ধুবৰ্গই শ্মশানলৈ লৈ গ'ল। লিংডোৱে আহি মোকো লৈ গ'ল শ্মশানলৈ। অলপ পিচতে স্বামীৰ দেহটো জুয়ে আবৰি পেলালে। মই কান্দিবলৈ পাহৰি গলোঁ। জীৱনত কান্দিমেই বা কিমান ?......

......এয়া শ্মশানৰ পৰা আহি আপোনালৈ লিখিছো। আজি মই সচাঁকৈয়ে অকলশৰীয়া। এতিয়া মই কৰোঁ কি? যাওঁ ক'লৈ? উপায়বিহীন হৈ আপোনাৰ ওচৰ চাপিবলৈ বাধ্য হৈছো। মোৰ প্ৰতি আপোনাৰ ঘৃণা উপজিছে। চাগে। কিন্তু স্বামীৰ পিচতে আপুনিয়েই মোৰ বিশ্বাসী মানুহ। আপোনাৰ ভালপোৱাৰ প্ৰতিদান মই বিচৰা নাই। কাৰণ তাৰ বাট মই আগতে মাৰিছোঁ। সেৱা এটা জনাইছোঁ লবনে ?"

মৃণালে চিঠিখন আকৌ পঞ্চম বাৰৰ বাবে পঢ়িলে। তাৰ পিচত ভাজতে ভাজ লগাই চিঠিখন খামটোৰ ভিতৰত সুমাই থৈ খিৰিকি খনেৰে দূৰলৈ চালে। শালিকাজনীয়ে অকলে কেল-কেলাই আছে। অলপ পাচতে এটা শালিকা তাতে পৰিল। দুয়ো ওঁঠতে ওঁঠ লগাই মৰম জনালে। অজ্ঞাতে এটা হুমুনিয়াহ ওলাই আহিল। কাৰোবাৰ সঘন পদক্ষেপ শুনি সি ভাবিলে 'বয়জন আহিছে।' কিন্তু তাৰ অনুমান সত্য নহ'ল।

"কিহে ডেকা, আজি দেখোন সোনকালে অফিচৰ পৰা আহিল ?" প্ৰতিবেশী শৰ্ম্মাই সুধিলে। "কাইলৈ

চিলঙৈ ৰাতি পুৱাতে যাম। এইবোৰে সোনকালে আহিলো।"

"কিয় ?" প্ৰশ্নবোধক দৃষ্টিৰে তেখেতে মৃণালৰ ফালে চালে।

"কাৰণ এই মাহতে মোৰ বিয়া। ছোৱালী এই জনীয়েই।" মৃণালে নিজৰাৰ চিঠিখন শৰ্ম্মাৰ ফালে আগবঢ়াই দিলে। তাৰ মনটো পাতল পাতল লাগিল। কিবা অনাহুত আনন্দত তাৰ অন্তৰখন ফুলি উঠিল।

# ॥ সংঘাট-পিৰীতি-সন্তান ॥

**পশুপতি হাজবিকা**
২য় বার্ষিক কলা

মিনতিক দেখি মই ভেবা লাগি চাই বলো । কোনো দিনে নেদেখা গাৱঁলীয়া লবা এজনে চহবত শকত মাবো-ৱাবী তিবোতা এজনী দেখিলে যেনেদবে চাই বব, ঠিক তেনেদবে যেন চাই থাকিম । চকুজুবি চুলিটাবি মুখব হাঁহিটো নহয় গোটেই মানুহজনী । পিছে এনেদবে চাই থকাব কাবণ শকত শবীব নহয়—অন্যহে ।

আমাব গাৱঁব ওচবব যজ্ঞধামত যজ্ঞাহুতি দিয়া চাবলৈ গৈছিলো । তাতে মিনতিক লগ পালো । মিনতি মোব সমবয়সব ছোৱালী । আজি কেবাবছবব আগব কথা, মই যেতিয়া প্রথম গুৱাহাটীলৈ বাওনা তেতিয়াই মিনতিব বিয়াব বন্দবস্ত হোৱা বুলি শুনিছিলো । গুৱাহাটীলৈ গুছি গলো । তেতিয়াব পবা মই ঘবলৈ অহা নাই । এইয়া বহুদিনব মূবত চহবব পবা ঘবলৈ আহিছো । ঘবত আহিবলৈ মাহঁতে, বৌহঁতে বহুতো চিঠি পত্র দিছিল । মই অহা নাছিলে, আহিব পবা নাছিলো । সকবৌব পবা বহুতো চিঠি পাইছিলো । তেওঁব চিঠিত মোলৈ কিছুমান আদেশ অনুবোধ মিহলি হৈ আহিছিল । যেনে "পঢ়া শুনা কবিবা । ঘূবি নুফুৰিবা ।" ডাঙব বৌৱে চিঠি নিদিছিল । তেওঁ অপহবাণ । ...ইয়াব ভিতবত গাৱঁখনত বহুতো পবিবৰ্ত্তন হল । আগতে আমাব গাৱঁত ভাল বাষ্টা-পথব সুবিধা নাছিল। এতিয়া আমাব সন্মুখেবে মটব গাড়ী চলা হল। ভঙা কীৰ্ত্তন ঘবটো টিনব আৰু বগা হল । পুখিভঁবালত বেডিঅ' বাজিল। স্কুলখনত পাচজন শিক্ষক হল । ইয়াব উপবি সৰু-সুৰা আৰু কত পবিবৰ্ত্তন । বহুতব ঘবত বোৱাবী আহিল । বহুত আকৌ কাবোবাব বোৱাবী হৈ গল । লব্যা, সব্যাহত 'দুই চলিব মাকেই হ'ল । গাৱঁব সিমুবত থকা বেঙীজনীবো হেনো বিয়া হৈছিল ।

এইয়া সৰুবৌৱে কোৱা কথা । গতিকে ইমান-বোব পবিবৰ্ত্তনব মাজত মিনতিবো বিয়া হোৱা বুলি ধবি লৈছিলো । আমাব গাৱঁত মিনতিব নিচিনা ছোৱালী নাই । নাথাকেও । কিন্তু মিনতিক যিটো ৰূপত দেখিছো তেওঁব বিয়া হোৱা বুলি মোব মনে নধবে । সেইকাবণে তেওঁক দেখি মোব এটা বেলেগ ধাবণা হল আৰু তেওঁক লগ ধবিবব বব ইচ্ছা হল । কিন্তু মিনতি এজাক ছোৱালীব মাজত ভালেখিনি আতবত আছে, কেনেকৈনো মাতো ? ভাল লাগিল । আগবাঢ়ি গৈ মাতিবলৈ মোব ভাল নালাগিল । অথচ চহবত কত ছোৱালীব লগত লটি ঘটি কবিলো । চহবব কথা সুকীয়া । চহবত নানান ধবণব মানুহ থাকে । ভালো--বেয়াও । চহবত দিনত এনে কিছুমান ভদ্রলোক আছে যিবোব বাতি কুকুবহে হয়—নাবীব আগত । চহবব ছোৱালীবোব সদায় কোমল বয়সীয়া । মস্ত মস্ত 'আপি' বোবো ফ্রক পিন্ধি ভণ্টি সাজি থাকে । কিন্তু বেকেটব ভিতবত তেবাসকলব একো একোটা হাতব পাচ থাকেই । গাৱঁত

তেনেকৈ মাতিলে মোক চঞ্চল বুলি কব । গাৱত মোক সকলোৱে ভাল পায় । এই ভাল পোৱা মই কিয় ভাঙি দিম ?

কি, বুলি মাতিম, কি সুধিম এইবোৰ পাগুলি থাকোতে মিনতি কেতিয়াবা গুছি গলগৈ । মোৰ সকলো উদ্যম কমি যোৱা যেন লাগিল । বৰ বেয়া লাগিল ।

সৰুৰে পৰা মই ধেমেলীয়া ধৰণৰ আছিলো । গাৱত থকা সময়ত মোক গাৱঁৰ লৰা, ডেকা, বুঢ়া, ছোৱালী তিৰোতা, বুঢ়ী সকলোৱে ভাল পাইছিল । লৰাবোৰৰ লগত যিদৰে ৰংতামচা কৰিছিলো ছোৱালীবোৰৰ লগতো তেনেদৰে ধেমালী কৰিছিলো । সিহঁতৰ প্ৰতি মোৰ কোনো বেয়া ভাৱ নাছিল । লৰাৰ লগত লৰাৰ ভাও আৰু ছোৱালীৰ লগত ছোৱালীৰ ভাও কৰি সিহতৰ লগত মিলি যাব পাৰিছিলো । ছোৱালীবোৰে মোক ঢিলা পাই খিলা মাৰিছিল । মানে সিহঁতে মোৰ ওচৰলৈ ৰুমালত ফুল আঁকি দিব লাগে বুলি আহি খোপাত বন্ধা কলা সুতা কিনিবলৈ খাটনী ধৰিছিল । অলপ ডাঙৰ ছোৱালীবোৰে (মেখেলাচাদৰ পিন্ধা) ৰুমালৰ কাপোৰ কিনিব দিও বুলি কৈ কিবা ব্লাউজৰ তলত পিন্ধা সৰু চ'লা আনি দিবলৈ মনে মনে কৈছিল । মুঠতে গাৱঁৰ বমাস্তি বুলু মণি, চাৰুমণিহঁতৰ মাজত মই সৰ্ব্ব প্ৰকাৰে আপোন আছিলো । মিনতি আমাৰ গাৱৰ ওচৰৰ গাওঁ খনৰ ছোৱালী । আমাৰ বাইদেউহতৰ লগত একেলগে আমাৰ গাৱঁৰ এম, ভি, স্কুলত পঢ়িছিল । আমাৰ বাইদেউৰ লগত মিনতি প্ৰায়ে আমাৰ ঘৰলৈ আহিছিল আৰু মেল মাৰি থাকিছিল । কি মেল বুজি নাপাইছিলো । বাইদেউৰ ইখন সিখন কিবা আনিব লাগিলে ময়ে আনি দিছিলো । বাইদেউ আৰু মিনতি দুয়ো মোক সমানে মৰম কৰিছিল । গতিকে মিনতি মোৰ অতি চিনাকি । পিছে আমাৰ বাইদেউ এতিয়া তিনিটা লৰা ছোৱালীৰ মাক হল । বাইদেউতকৈ মিনতি দু এবছৰে সৰু যদিও তেৱোঁ অন্ততঃ সন্তানৰ মাক হব লাগিছিল । মই যদি ছোৱালী হলোহেঁতেন কিজানি বহু লৰাছোলীৰ মাক হলোহেঁতেন ।

মিনতিক লগ ধৰিব নোৱাৰি ঘৰত গৈ বৰ বেয়া লাগিল । মিনতিৰ খবৰ লবলৈ তেওঁৰ বিষয়ে জানিবলৈ মই বৰ ব্যগ্ৰ হৈ পৰিলো । মিনতিৰ প্ৰতি মোৰ কি মোহ উপজিল মই কব নোৱাৰা । তাৰ পিচদিনাও যজ্ঞধামলৈ গলো । বুকুত বান্ধি লৈ গলো মিনতিক লগপোৱাৰ এটা দুৰন্ত আশা । গৈয়েই মিনতিক দেখিবলৈ পালো । যজ্ঞধামৰ ওচৰৰ পুখুৰী পাৰত মিনতি এজাক ছোৱালীৰ মাজত খিয় হৈ আছে । দূৰৰ পৰাই তেওঁক চিনিব পাৰি । মিনতিক দেখি পৰীক্ষাত ফেলকৰা বুলি প্ৰচাৰ হোৱা লৰা এজনে পিজত পাছ কৰা খবৰ পালে (অৰ্থাৎ ফেলকৰাটো মিছা অপপ্ৰচাৰ) যেনে লাগে মোৰো তেনে লাগিল । লগ ধৰিম বুলি দৃঢ় সকল্প কৰি ললো । কিন্তু মিনতিৰ কোলাত এটি ধুনীয়া চলবলীয়া কেচুৱা দেখিহে আচৰিত হলো । ভাবিলো বোধ হয় বৌৱেকৰ কেচুৱা । এখোজ দুখোজকৈ মই আগুৱাই গলো । মিনতিয়ে মোক দূৰৰ পৰাই এটা মিচিককৈ হাঁহি মাৰি দিলে । আনন্দত মোৰ বুকুখন দুহাত মান ফুলি উঠা যেন ভাবি হাত দুখনেৰে হেচামাৰি ধৰি কোনোমতে সেপ ঢুকি ললো । চাৰিওপিনে এবাৰ চালো জানোচা ৰাবোবাৰ পিনে চায়েই হাঁহিছে । নাই তেনে কোনো দৃষ্টিত নপৰিল । লাহে লাহে লাহে গৈ ওচৰ পালো । তেওঁৰ হাঁহিটো মুখত লাগিয়েই আছিল। ওচৰ পোৱাত মোক কিছুমান প্ৰশ্নশোধাৰ দৰে কৈ গল, যেনে কেতিয়া আহিলো ; ভালে আছোনে , বহুদিন হেনো মোক দেখা নাই, তেওঁলোকলৈ হেনো পাহৰি গলো, তেওঁ মোৰ প্ৰায়ে খবৰ লৈ থাকে ইত্যাদি ইত্যাদি কিছুমান কথা । ময়ো যথাযথ প্ৰশ্নৰ উত্তৰ দি গৈছো । কিন্তু দৃষ্টি মোৰ কেচুৱাটিৰ ওপৰতহে । বালক কৃষ্ণৰ দৰে এটা লৰা । ইমান ধুনীয়া ! লওতাক বেচ শুৱাইছে। প্ৰশ্ন কৰি খবৰ লৈ মিনতি গলগৈ । যোৱাৰ ভালেখিনি পিচতহে মোৰ চেতনা জাগিল যে মই দেখোন একো সুধিবলৈ নহল । খোজত পদুম ফুলা, কথাত মৌবৰষা ছোৱালী এজনীয়ে মোৰ খবৰ বাতৰি লৈ গুছি গল অথচ মই ভেবাবাম সিঙে কি সুধিম কি নুসুধিম এইবোৰ পাগুলি থাকোতে গল । যোৱা কালিৰ পৰা ভাবি এইসোপাহে কৰিলো ।

তাৰ পিছদিনা মিনতি আমাৰ ঘৰলৈ আহিছিল । বাইদেউৰ বান্ধবী হিচাবে মিনতি আমাৰ ঘৰলৈ হেনো প্ৰায়ে এনেকৈ আহে । আহি বাইদেউৰ খবৰ লয় । মোৰ খবৰ লয় ঘৰখনৰ খবৰ লয় তাৰ পিছত যায়গৈ। সিদিনাও মিনতি আগৰ দৰে আহিছিল । সৰু বৌ

আৰু মই মোৰ কমত ৰহি গান এটা আওৰাই আছিলো। তেনে সময়তে মিনতি আহি ওলাইছিল। মিনতি আমাৰ ঘৰলৈ অহাত আচৰিত হোৱা নাছিলো যদিও এটা কথাত মই অলপ আচৰিত হলো। সেইয়া হল মিনতিৰ কোলাত সিদিনা দেখা কেচুৱাটি দেখি। বৌৱেকৰ কেচুৱানো সদায় লৈ ফুৰাবনে? তাৰোপৰি কেচুৱাটি আৰু মিনতিৰ অদ্ভুত সাদৃশ্য আছে। মোৰ সন্দেহ হল মিনতিৰ তেন্তে বিয়া হৈছে নেকি? কেচুৱাটি তেনেহলে মিনতিৰে? যদি বিয়াই হৈছে তেন্তে মাকৰ ঘৰত এনেদৰে কিয় আছে। নে বিধবা—! ধেৎতেৰি মই কিবোৰ ভাবিছো। মিনতিৰ কপালত আৰু শিৰত সেন্দুৰৰ ফোট দেখোন জিলিকি আছে।

মিনতিৰ বিষয়ে এনে কথাবোৰ ভাবি থাকি তাৰ কোনো উত্তৰ বিচাৰি নাপাই মই শান্তি পোৱা নাছিলো। বৌকো এই বিষয়ে একো সুধিব পৰা নাই। জানোচা তেওঁ মোক আন ধৰণে লয়। মিনতিয়ে মোৰ ওচৰলৈ আহি হাঁহি মাতি কথা কবলৈ আৰম্ভ কৰিছিল যদিও মোৰ ভাল লগা নাছিল। তেওঁৰ বিষয়ে জানিবলৈ বৰ ইচ্ছা হৈছিল। কিন্তু একো সুধিবও পৰা নাছিলো। এটা সময়ত কেচুৱাটিক চুমা এটি খাই মই তেওঁৰ পিনে চাই এনেয়ে এবাৰ কৈছিলো "লৰাটি ইমান ধুনীয়া হব। মুখ খন অবিকল তোমাৰ দৰে হব।" মিনতিয়ে তেতিয়া এটা হাহি মাৰি কৈছিল "এৰা মোৰ দৰেই হব। মাকৰ দৰে নহৈ কাৰ দৰে হব আৰু মিনতিৰ কথা শুনি মই অবাক হৈ গলো। আৰু শেষত সুধি পেলালো "কেচুৱাটি তেনেহলে তোমাৰ? তোমাৰ বিয়া হৈ গৈছে??" এনেকৈ সোধাত কেনে হল মই কব নোৱাৰো। কিন্তু মিনতিয়ে মোৰ প্ৰশ্ন শুনি এটা হুমুনিয়াহ কাঢ়ি কলে "তুমি তেনেহলে মোৰ কথা বিলাক শুনা নাই? নুশুনাই ভাল। শুনিলে তোমাৰো হয়তো মোৰ প্ৰতি ঘৃণা উপজিব।" কি মিনতিৰ এনেকুৱা উত্তৰত মই সন্তুষ্ট হব নোৱাৰিলো। তেওঁৰ কথা কবলৈ মই আকোৰ গজালিকৈ ধৰিলো। মোক এবাৰ নোৱাৰি, মোৰ এনে আগ্ৰহ দেখি শেষত মিনিতিয়ে তেওঁৰ সকলো কথা মোক কলে। মিনতিয়ে কথাবোৰ ইমান নিসংকোচে কৈছিল যে মই বৰ আচৰিত হৈ গৈছিলো। মই এজন লৰা মানুহ, পুৰুষ মানুহ আৰু মোৰ আগত ছোৱালী এজনীয়ে নিজৰ জীৱনৰ বেয়া কথাবোৰ, কলঙ্কবোৰ ইমান সংকোচ বিহীন ভাবে কব পাৰে মোৰ বৰ আচৰিত লাগিছিল। যেন কথাবোৰ কোনো আপোন বান্ধৱীৰ আগতহে প্ৰাণ খুলি উজাৰি দিছিল। কথাবোৰ এই—

"আমাৰ বিয়া হৈ গল। আমাৰ মানে মোৰ আৰু মহেশৰ। লগৰ ছোৱালী আইকণ, বীণাহঁতৰ দৰে আমি কোৰ্টত বিয়া সোমোৱা নাছিলো। নাইবা সিহঁতৰ দৰে মাক বাপেকে চাই দিয়া দৰাক মই অপচন্দ কৰা নাছিলো। মা দেউতাৰ আদৰৰ জী হিচাবে নানা ৰং বহইচৰ মাজেৰে সাতামপুৰুষীয়া বিবাহ প্ৰথা মতেই আমাৰ বিয়া হৈ গল। মোৰ তাত হা না কৰিবলগীয়া একো নাছিল। বৰং তেখেতৰ কাৰ্ত্তীকৰ দৰে ৰূপ; শ্ৰীৰামচন্দ্ৰৰ দৰে গুণ আৰু ছাহজাহানৰ দৰে কৰা মৰম চেনেহে মোক তেখেতৰ ওচৰলৈ হাত বাউলি মাতিছিল। দেউতাৰো ইচ্ছা ধনী, মানী লৰা এজনত মোক গটাব পাৰিলে সুখী হব। সেয়ে হল। মোৰ স্বামী এজন নামজ্বলা হাকিম। মই হাকিমৰ পত্নী কিমান আনন্দ কিমান গৌৰৱ।

হাকিমগিৰীৰ দ্বিতীয় বছৰত তেখেতৰ লগত মোৰ বিয়া হল। মই মনে বিচৰা স্বামী পালো। মা দেউতাই মোক যিমান মৰম কৰিছিল তেখেতে মোক তাতকৈ তাক ঘাটি নকৰিবলৈ মই পাৰ্য্যমানে চেষ্টা কৰিছিলো। তেখেতৰ কিবা কষ্ট হব বুলি মই অথেবেথে কিবা কৰিবলৈ গলে তেখেতেহে মোক ওলোটাই পঠাই সেইটো কৰিবলৈ দৈছিল। মই ভাত বান্ধিব গলে মোৰ ওচৰত বহি ইখন সিখন আগবঢ়াই দিছিল। কোনো বস্তুৰ মোৰ অভাৱ নাছিল। বজাৰৰ জাকত জিলিকা বস্তুটো আনি মোৰ হাতত গুজি দিছিল। তেখেতে কাছাৰীলৈ যাওতে মই সদায় দুৱাৰ মুখলৈ আগবঢ়াই থৈছিলো আৰু গধূলি উভতি আহিলে আগবঢ়াই আনিছিলো। সান্ধ্য ভ্ৰমণত আমি মনৰ কথা পাতিছিলো। কেতিয়াবা আমাৰ তৰ্ক হৈছিল। তেখেতে কৈছিল মোক তেখেতৰ বৰ ভাল লাগে। মই কৈছিলো নহয় মোৰহে তেখেতেক বৰ ভাল লাগে। ইটোৱে সিটোক চিকুটি দি আমি ৰগৰ কৰিছিলো। মুঠতে আমি নাচি বাগি, হাঁহি মাতি ৰংৰহইচ কৰি থকা এহাল স্বামী স্ত্ৰী আছিলো।

ৰাতি আমাৰ বহুত মৰমৰ আদান প্ৰদান হৈছিল। জাৱকালি ৰাতি মোক তেখেতে এটি সৰু কেচুৱা বুকুৰ

মাজত বথাব দবে সাৰাটি ৰাখিছিল। বাগৰ সলাওতে কাপোৰৰ জাপ পৰি যাব বুলি বাবে বাবে খেপিয়াই খেপিয়াই তুলি দিছিল । মাজ নিশা মোৰ চেঁচা পৰা গাল তেখেতৰ তপত ওঠৰ স্পৰ্শত গৰম হৈ উঠিছিল। কেতিয়াবা মই তেখেতৰ বহল বুকুৰ মাজত মুখ গুজিব খুজিলে তেখেতে মোৰ বুকুৰ মাজত নাক গুজি গুজি নৰম ৰাকিছিল । জাব কালিব স্বপ্ন স্বপ্ন লগা ৰাতিবোৰ আমাৰ এনেদৰে পাৰ হৈছিল।

গৰম কালি আমি কিন্তু সোনকালে শুব নোৱাৰি-ছিলো । ৰাতি খাই বৈ উঠাৰ পিচতো আমি চোতালত আৰামী চকি দুখন পাৰি মেল মাৰি থাকিছিলো । বাব ভূচহু মেল । শেষত শুব গলেও তেখেতে গৰম কাৰণে আঠুৰাখন তৰি দিব নিদিছিল । কিন্তু মই আৰু মহৰ কামোৰ সহ্য কৰিব নোৱাৰিছিলো । ফলত টোপনি নহালৈকে মই বিচি থাকিব লাগিছিল। গৰমৰ কাৰণে আমি শুবৰ সময়ত গাত পাউদাৰ চতিয়াই লৈছিলো । তেখেতে মোক দিছিল আৰু তেখেতক মই দিছিলো। এনেখন কৰি শোওতে আমাৰ বহু ৰাতি হৈছিল। আৰু সেইকাৰণে ৰাতি পুৱা উঠোতে আমাৰ প্ৰায়ে দেৰি হৈছিল । কিন্তু কেতিয়াবা ৰাতি পুৱাৰ পোহৰত ৰাতি আমি টোপনিতে কেনে অৱস্থাত আছো সেই দৃশ্যটো দেখিলে মোৰ বৰ লাজ লাগিছিল। স্বামী স্ত্ৰীৰ বাবে ই একো লাজৰ কথা নহয় যদিও মোৰ বৰ লাজ লাগিছিল ।

তুমি হয়তো মোৰ এই দাম্পত্য জীৱনৰ সুখৰ কাহিনী শুনি আচৰিত হৈছা । আৰু হয়তো ভাবিছা এইবোৰ কোৱাৰ মোৰ কি প্ৰয়োজন । কিন্তু হলেও তোমাৰ আগত মোৰ সকলো কথা কম । ইয়েই নহয় আৰু বহুত আছে

জীৱন জীৱন লগা দিনবোৰ আমাৰ এনেদৰে পাৰ হবলৈ ধৰিলে । জীৱনৰ মধু পান কৰি আমি দিনবোৰ আৰু মধুৰ কৰি তুলিছিলো । প্ৰেমৰ সংসাৰ খনত আমি দুয়ো ৰাধা কৃষ্ণ হৈ পৰিলো । দুখ শোক কেনে আমি তেতিয়া উপলব্ধি কৰা নাছিলো । প্ৰয়োজন হোৱা নাছিল । কিন্তু হঠাতে এদিন আমাৰ সুখৰ সংসাৰত জুই জ্বলিল । ভগবানৰ অভিশাপ নে কপালৰ লিখন বুজিব নোৱাৰিলো ।

হঠাতে হোৱা মটৰ দুৰ্ঘটনা এটাত মোৰ স্বামীৰ বিষম ভাবে যখন হল । তেখেতক হস্পিতালত থোৱা হল । শোকত মোৰ প্ৰাণ ভাঙি গল । তেখেতক হস্পি-তাত থোৱাত মই তেতিয়া অকলশৰীয়া হৈ পৰিলো । কাৰণ ঘৰখনতে আমি দুটি প্ৰাণীয়েহে মাথো আছিলো । গতিকে মোৰ এই অকলশৰীয়া জীৱনত মোক সঙ্গী লগা হল । সহায় সাৰথি লগা হল। সঙ্গী মই পালো । মোৰ এই অকলশৰীয়া জীৱনত সমল যোগালে বিভূ-তিয়ে । শ্ৰীবিভূতি পাচনিয়ে । স্বামীৰ দুৰ্ঘটনাৰ পিছৰে পৰা বিভূতি তেখেতৰ লগত লাগি আছিল । বিভূতি তেখেতক হস্পিতালত থৰলৈ নিজে গৈছিল আৰু সদায় খবৰ বাতৰি লৈছিল । বিভূতি আগৰে পৰা মোৰ স্বামীৰ অন্তৰঙ্গ বন্ধু । তেখেতসকলে একেলগে পঢ়ি-ছিল, খেলিছিল, ফুৰিছিল আনকি পৰীক্ষাত বহি সলা-সলিকৈ লিখি সহায় কৰিছিল । আৰু সেই বন্ধুৱে তেনে বিপদৰ সময়ত পাৰ্য্যমাণে সহায় কৰিছিল। স্বামীৰ খবৰ লোৱাৰ উপৰিও বিভূতিয়ে সদায় গধূলি মোৰ খা খবৰ লৈছিল । মোৰ কিবা অভাৱ থাকিলে বিভূতিয়ে আতৰাই দিছিল । সেই কাৰণে স্বামীৰ অনুপস্থিতিত মই তেতিয়া কোনো অভাৱ অনুভৱ কৰিব নালাগিছিল।

দিনবোৰ এনেকৈ পাৰ হবলৈ ধৰিলে। কোনো অভাৱ দুখ কষ্ট নোপোৱাকৈ মই দিনবোৰ অতিবাহিত কৰিব ধৰিলো । মোৰ প্ৰতি বিভূতিৰ মৰম দিনে দিনে বাঢ়িবলৈ ধৰিলে । মই এজনী বিবাহিত যুৱতী নাৰী। পতিসঙ্গ সুখৰ পৰা আতৰত আছো । কেচাতেজৰ পিৰপিৰনীয়ে মোক কেতিয়াবা অন্য জগতলৈ লৈ যায়। সেয়ে বিভূতিৰ মৰমত মই পমি গলো । বিভূতি এজন অবিবাহিত ডেকা লৰা । প্ৰেমৰ সপোন বচা সময়। তাতে জুইৰ ওচৰত ঘি থাকিলে গলিবই। এনে এটি পৰিস্থিতিতে মই অতীত ভবিষ্যত পাহৰি এটা ভয়ানক ভূল কৰি পেলালো । সেইয়া হল মোৰ মাতৃ হোৱাৰ আকা-ঙ্খাৰে কৰা ভুল। আৰু শেষত সেয়েই মোৰ কাল হল।

O O O

তাৰ পিছত হস্পিতালৰ পৰা মোৰ স্বামী ঘূৰি আহিল । মই তেখেতৰ লগত আগৰ দৰে মিলামিছা কৰিবলৈ যত্ন কৰিলো । ভাবিলো সকলো পাপ কাসৰ মোৰ অন্ত পৰিল। কিন্তু কথা মোৰ ওলোটা ফালেহে ঢাল খালে । কাৰণ পাপ বেছি দিন ঢাকি ৰাখিব নোৱাৰি । ই প্ৰকাশ পাবই । স্বামী অহাৰ তিনিমাহ

আগৰ পৰাই মোৰ ঋতু বন্ধ হৈছিল। গতিকে পেটৰ কেচুৱা মাকৰ মঙহ খাই বাঢ়িবহে ধৰিলে। সেয়ে মোৰ ৰক্ষা নহল। সকলো কথা যেতিয়া স্বামীয়ে ইকান সিকাণকৈ গম পাবলৈ ধৰিলে মোৰ প্ৰতি স্বামী বিমুখ হল। মই মোৰ কৰ্ম্মফল ভোগ কৰিবলগীয়া হলো। আৰু সেই কাৰণে পেটত কেচুৱা এটা লৈ মই মাৰ ঘৰলৈ গুছি আহিলো। আহিবলৈ বাধ্য হলো।

মাৰ ঘৰত মোৰ যেন নতুন জীৱন আৰম্ভ হল। এই জীৱনত মই পাবলৈ ধৰিলো খোজে পতি ভুল, কথাই পতি জগৰ। ঘৰখনৰ সকলোৰে কাৰণে মই হৈ পৰিলো চকুৰ কুটা, দাতৰ শাল। মাথো মাজে সময়ে শান্তনা যোগালে মায়ে। হাজাৰ হওক পেটৰ বেটী—এই বুলি। হাঁহিবলৈ পাহৰি গলো। মোৰ সান্তনাৰ সমল হল চকুপানী। এইযে সন্তানটি দেখিছা ইয়েই মোৰ সকলোৰে মূল। কিন্তু ইয়াৰ গাতনো কি দোষ; সেয়ে অন্তৰখন কেতিয়াবা ভাঙি চুৰমাৰ হৈ যাব খোজে। মই অবিবাহিত নহয়; অথচ বিবাহিত স্বামী মোৰ সন্তানৰ বাপেক। ই যেতিয়া মোৰ গৰ্ভত স্থিতি লভে তাৰ পিছৰে পৰা মই হলো স্বামী পৰিত্যক্তা। ই জানো কম লাজৰ কথা। আৰু এইবোৰ কথাকে তোমাৰ আগত খোলাখুলিকৈ ব্যক্ত কৰিছো। কথাবোৰ কাৰোবাক খুলি কব পাৰিলে মনটো পাতল পৰা যেন লাগে। কিন্তু কাক কম? সমাজত মই ব্যভিচাৰিণী বেশ্যা। তুমি পুৰুষ মানুহ। এই পুৰুষেই এদিন মোৰ সোণৰ সংসাৰ ভাঙি দিলে। কিন্তু সকলো পুৰুষ জানো একে? এজন পুৰুষে মোৰ ইজ্জত খেদালে, মই কুকৰ্ম্মৰ চূড়ান্ত সীমা পালো। আৰু আন এজন পুৰুষৰ আগত মই সেই কুকৰ্ম্মৰ কথা ব্যক্ত কৰিছো। হায় ভগবান।" এই বুলি কৈ মিনতিয়ে মোৰ ওচৰত হুক্‌হুক্‌কৈ কান্দি দিলে।

মিনতিৰ সেই আটাইবোৰ কথা জুকিয়াই চাই মই এবাৰ হুমুনিয়াহ কাঢ়িছো হায় কুৰি শতিকাৰ মানৱ।

একাঙ্কিকা

# ৰঘুমলা

অধ্যাপক দুৰ্গেশ্বৰ শৰ্ম্মা

চৰিত্ৰ :

হৰকান্ত
গুণেশ্বৰ
গাখীৰৱালা
নাপিত
ধোবা

(হৰকান্তৰ ঘৰৰ বহা কোঠা । কোঠাটোত দুখনমান চকি-মেজ । এখন টেবিল। টেবিলৰ ওপৰত কেইখনমান বাতৰি কাকত। হৰকান্তৰ বয়স প্ৰায় ৫০ বছৰমান । পৰিধানত ধুতি আৰু পাঞ্জাবী। অৰ্দ্ধ-শিক্ষিত লোক । গাৱলীয়া অঞ্চলৰ আধ্যৱস্ত মানুহ। কোঠাটোৰ এচুকত এটা গনেশৰ মূৰ্ত্তি বেৰত আৰি থোৱা আছে । মূৰ্ত্তিটোৰ কাষত ধূপ-ধুনা জ্বলি আছে। হৰকান্ত কোঠাটোৰ ভিতৰত প্ৰবেশ কৰে আৰু দূৰত ঠিয় হৈ হাত জোৰকৈ মূৰ্ত্তিটোক সেৱা কৰে।)

হৰকান্ত—হে বাবা গনেশ, এইবাৰ, এইবাৰ তুমি মোৰ মনৰ কামনা পূৰ্ণ কৰা বাবা । দেখিবা তোমাক থাকিবলৈ সোণৰ বাকচ্ বনাই দিম। তোমাৰ আগত অহৰ্নিশে সোণৰ বন্তি জ্বলাই ৰাখিম। মোক নিৰ্ব্বাচনৰ কাৰণে মনোনয়ন পোৱাত সহায় কৰা বাবা ।

(এনেতে গুণেশ্বৰ মঞ্চত প্ৰবেশ কৰে। বয়স ৪০ বছৰমান )

গুণেশ্বৰ—মাজু বাবু ।

হৰকান্ত—কি হ'ল অ' গুণেশ্বৰ ?

গুণেশ্বৰ—আপুনি ইমান চিন্তান্বিত হোৱাটো মই বৰ ভাল দেখা নাই ।

হৰকান্ত—চিন্তান্বিত নহবি। কংগ্ৰেছে এইবাৰ আধা আধি পুৰণা এম এল্ এক অৱসৰ দিয়াটো ঠিক কৰিছে। এই কথা ভাবিয়েই মোৰ চকুত টোপনি নোহোৱা হ'ল আৰু পেটলৈ ভাত নোযোৱা হ'ল তয়েটো জান, গুৱাহাটীত ভাড়াৰ কাৰণে বান্ধিব দিয়া ঘৰটো এতিয়াও সম্পূৰ্ণ হোৱা নাই । মাৰো-ৱাৰীয়ে এনেয়ে একো দিব নোখোজে । তাতে যদি এম, এল, এ পদবীটো যায় চিমেণ্ট আৰু আইৰণ বদ মোক দিব কোনে ? বাৰু গুণেশ্বৰ তিখকক গুৱাহাটীলৈ পথালিনে ?

গুণেশ্বৰ—পাঠালো মাজু বাবু ।

হৰকান্ত—কি কলি তাক ?

গুণেশ্বৰ—কৈছো, কংগ্ৰেছ্ অফিছলৈ যাবি । মাজু বাবুক কংগ্ৰেছে মনোনয়ন দিলেনে নাই খবৰটো লবি আৰু চাবিটা বজাৰ বাছত যিকোনো প্ৰকাৰে ঘৰলৈ উভটি আহিবি ।

হৰকান্ত—খুব ভাল কৰিছ গুণেশ্বৰ। খুব ভাল কৰিছ। মই নিজে খবৰ কৰাটো বৰ ভাল নেদেখি। আমি পুৰণা কৰ্ম্মী। ডেকাসকলৰ দৰে ববকৈ বাট কুৰি বাই ফুৰিলে সন্মান নেথাকেও। পিছে এটা কথা অ' গুণেশ্বৰ ?

গুণেশ্বৰ—কি কথা মাজু বাবু।

হৰকান্ত—মোৰ আজি ববকৈ বাওহাত খন নাচিছে।

গুণেশ্বৰ—বাওহাত নাচিছে ? খুব ভাল কথা।

হৰকান্ত—কি ভাল কথা অ' গুণেশ্বৰ ?

গুণেশ্বৰ—ইয়াৰ অৰ্থ স্ত্ৰী লাভ।

হৰকান্ত—স্ত্ৰী লাভ। এই বয়সত আৰু মোৰ তিৰোতা চিৰোতাৰ দৰকাৰ নাই। এইবোৰ অন্ধবিশ্বাস। এইবোৰ কথা মনত ঠাই দিয়া কেৱল বলিয়ালি। (এনেতে বাহিৰৰ পৰা 'শইকিয়া বাবু' 'শইকিয়া বাবু' বুলি গাখীৰৱালাই চিঞৰিব ধৰে)।

হৰকান্ত—দেখিছানে এনেয়ে মৰিছো পুত্ৰ শোকত ; তাতে আকৌ খাবিবো শাপ। ওলালহি কোনোবা এটা। এই মানুহবোৰৰ কাৰণে আৰু মোৰ শান্তি নাই।

( এনেতে গাখীৰৰ ভাৰ এখন লৈ গাখীৰৱালা মঞ্চত প্ৰবেশ কৰে )।

গাখীৰৱালা—শইকিয়া বাবু, অ' শইকিয়া বাবু।

হৰকান্ত—শুদা ভাৰ খনেৰে তই মোৰ আগত ওলাব পাৰনে ? ভালে ভালে কৈছো—ইয়াৰ পৰা বাহিৰ হ। নহলে বাপেকে দিম মজা পালি।

গাখীৰৱালা—বাকী আদায় দিব লাগিলে মানুহৰ খং উঠে। এয়ে জগতৰ চিৰন্তন নীতি।

হৰকান্ত—মই কিন্তু ভালে ভালে কৈছো দেই এতিয়া পইচা-চইছা দিয়া-দিয়ি নাই। মই মৰিছো কংগ্ৰেছৰ মনোনয়নৰ চিন্তাত। ভালে ভালে কৈছো ইয়াৰ পৰা বাহিৰ হ।

গাখীৰৱালা—নহয় শইকিয়া বাবু। মই বৰ বিপদত পৰিহে আহিছো। আজি সাত দিন হ'ল সি জনীৰ পেটৰ অসুখ। দাৱাই এবটল কিনি আনিব লাগে। অনুগ্ৰহ কৰি মোৰ পইচাখিনি আদায় দিয়ক।

হৰকান্ত—তোৰ ঘৈণীয়েৰ পেটৰ অসুখত মৰিল, মোৰ কিহ'ল ? আকৌ কৈছো ইয়াৰ পৰা বাহিৰ হ। মই সাধাৰণ মানুহ নহয়। দেশৰ নেতা, এম, এল, এ দেশৰ নেতাক জোকাই লোৱা মানে বাটৰ কচু গাত ঘঁহি লোৱা বুজিছ।

গাখীৰৱালা—নহয়, নহয় শইকিয়া বাবু। সাত সেৰ গাখীৰৰহে দাম। পইচাখিনি আদায় দিয়ক। মোৰ মহা বিপদ।

হৰকান্ত—হো সাত সেৰ গাখীৰৰ দাম। এই গুণেশ্বৰ?

গুণেশ্বৰ—মাজু বাবু।

হৰকান্ত—এইটো কি মাহ ?

গুণেশ্বৰ—ফেব্ৰুৱাৰী মাহ।

হৰকান্ত—কিমান দিন ?

গুণেশ্বৰ—আঠাইশ দিন।

হৰকান্ত—আঠাইশ দিন। কেনেকৈ আঠাইশ দিন হ'ল অ' ?

গুণেশ্বৰ—(সুৰ লগাই মাতে)

"ত্ৰিশ দিনে হয় লৱা মাহ চেপ্তেম্বৰ, তেনেকৈ
এপ্ৰিল আৰু জুন নবেম্বৰ।
ফেব্ৰুৱাৰী মাহ ধৰে আঠাইশ দিনত,
বাকী সাত মাহ ধৰে একত্ৰিশ দিনত।"
এনেকৈ অঙ্কৰ মতে আঠাইশ দিন হ'ল
মাজু বাবু।

হৰকান্ত—সঁচা কৈছনে ?

গুণেশ্বৰ—হয়, সচাই কৈছো আৰু।

হৰকান্ত—তেনেহলে গাখীৰ কেই সেৰ ?

গুণেশ্বৰ-সাত সেৰ।

হৰকান্ত—সাত সেৰ। পানী কেই সেৰ ?

গুণেশ্বৰ—পানীৰ কথাটো এই গাখীৰৱালাই জানে।

হৰকান্ত—গাখীৰৱালা, সচা কৰি কিন্তু।

গাখীৰৱালা—মোৰ গাখীৰত মই পানী-চানি নিদিও। গাখীৰো খাটি, এতেকে দামো খাটি সাত টকা।

হৰকান্ত-গাখীৰৱালা, মোৰ চকুত ধূলি নেমাৰিবি। তই গাখীৰ দিছ তিনি সেৰ, তাত পানী দিছ চাৰি সেৰ। এতেকে দামো পাবি তিনি টকাহে। কালিলৈ নগদ তিনি টকা লৈ যাবি। এতিয়া ভালে ভালে ইয়াৰ পৰা আতৰ হ। বেছি কেপ কেপ নকৰিবি বুইছ। মই একা কামৰ মানুহ। তোৰ লগত কথা চোবাই থাকিবৰ সময় নাই। তই টকাৰ কথাহে ভাবিছ। ঘৈণীয়েৰৰ ইফালে কি হ'ল ভাবিছনে ?